# ছিপাঝাৰ মহাবিদ্যালয় আলোচনী

ইং ২০০৬-০৭ আৰু ২০০৭-০৮ বৰ্ষ



1-17
LIBRARY
Estd 1971

সম্পাদিকা

**ভায়লিনা ভাৰতী**

# ছিপাঝাৰ মহাবিদ্যালয় আলোচনী

২৬ তম সংখ্যা

ইং ২০০৬-০৭ আৰু ২০০৭-০৮ বৰ্ষ

SIPAJHAR COLLEGE
1-17
LIBRARY
Estd 1971
Sipajhar, Darrang (Assam)

তত্ত্বৰধায়কদ্বয় ঃ
শ্ৰীমহেন্দ্ৰ কটকী
শ্ৰীদুলেন্দ্ৰ নাথ

সম্পাদিকা ঃ
শ্ৰীভায়লিনা ভাৰতী

SIPAJHAR COLLEGE LIBRARY
Accession No. ........
Class No 1-17
Book No. ........

Annual Publication of Sipajhar College Magazine (Vol. XXVI, Session 2006-07 and 2007-08, published by the Editorial Board on behalf of Students' Union, Sipajhar College, Darrang, Assam. Editor : Violina Bharati

সম্পাদনা সমিতি ঃ

সভাপতি ঃ কনক চন্দ্ৰ ডেকা, অধ্যক্ষ

তত্বাৱধায়কদ্বয় ঃ মহেন্দ্ৰ কটকী
দুলেন্দ্ৰ নাথ

সম্পাদিকা ঃ ভায়লিনা ভাৰতী

শিক্ষক সদস্য ঃ ড° দিবাকৰ চন্দ্ৰ দাস
মুকুল কুমাৰ চহৰীয়া

সদস্য/সদস্যা ঃ কমলজ্যোতি চহৰীয়া
জেউতি দেৱী

পদেন সদস্য ঃ দুলাল ডেকা, প্ৰাক্তন সাধাৰণ সম্পাদক
(ইং ২০০৬-০৭ বৰ্ষ)
গুণমণি নাথ, সাধাৰণ সম্পাদক
(ইং ২০০৭-০৮ বৰ্ষ)

বেটুপাত ঃ সম্পাদনা সমিতি

আলোক চিত্ৰ ঃ ষ্টুডিঅ' নৱনীতা, ছিপাঝাৰ

প্ৰকাশক ঃ ছিপাঝাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

ছপা ঃ নবীন অফছেট, মঙলদৈ।

## অশ্ৰু-অঞ্জলি



ব্ৰজেন চৌধুৰী

ছিপাঝাৰ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰাক্তন (১৯৮২-৮৬) অধ্যাপক তথা বৰপেটাৰ অতিৰিক্ত উপায়ুক্ত ব্ৰজেন্দ্ৰ কুমাৰ চৌধুৰী দেৱ যোৱা ইং ২৩-৯-২০০৮ তাৰিখে স্বৰ্গগামী হয়। তেখেতৰ বিদেহী আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালোঁ।

—সম্পাদনা সমিতি

## কৃতজ্ঞতা

মহাবিদ্যালয়ৰ অধ্যক্ষ কনক চন্দ্ৰ ডেকা চাৰ প্ৰমুখ্যে মহাবিদ্যালয়ৰ সমূহ অধ্যাপক/অধ্যাপিকা, আলোচনী বিভাগৰ তত্বাৱধায়কদ্বয় তথা সম্পাদনা সমিতিৰ সমূহ সদস্য/সদস্যা, ছিপাঝাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ সতীৰ্থ লগতে কাৰ্যনিৰ্বাহক সমিতিৰ সমূহ বিষয়ববীয়া, মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰী, আলোচনীৰ বিভিন্ন কামত সহায়-সহযোগ আগবঢ়োৱা সমূহ ছাত্ৰ-ছাত্ৰী তথা আলোচনীৰ প্ৰতিজন লেখক-লেখিকালৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে নবীন অফছেটৰ কৰ্তৃপক্ষ তথা সমূহ কমচাৰীবৃন্দক আমি ধন্যাবাদ জ্ঞাপন কৰিলোঁ।

—সম্পাদনা সমিতি

## শ্ৰদ্ধাঞ্জলি



অসমৰ সাহিত্য-সংস্কৃতিৰ উন্নতিৰ হকে
প্ৰাণ আহুতি দিয়া বীৰ-বীৰাঙ্গনা
আৰু ছিপাঝাৰ মহাবিদ্যালয়ৰ লগত জড়িত
যিসকল আমাৰ মাজৰপৰা
চিৰদিনৰ বাবে গুচি গ'ল,
জ্ঞাত-অজ্ঞাত সেই সকলোলৈকে
আমাৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিলোঁ।

—সম্পাদনা সমিতি


## উচৰ্গা

যিসকল বৰেণ্য ব্যক্তিৰ
আশাসুধীয়া প্ৰচেষ্টাত
এই মহাবিদ্যালয়খনিয়ে
প্ৰাণ পাই উঠিল,
সেই প্ৰতি গৰাকী
ব্যক্তিৰ নামত
এই সংখ্যা আলোচনীখনি
উচৰ্গা কৰা হ'ল।

—সম্পাদনা সমিতি

বিনন্দ কুমাৰ শইকীয়া
বিধায়ক, ছিপাঝাৰ

আবাস নং-৮০
পুৰণি বিধায়ক নিবেশ
দিছপুৰ, অসম
ফোন ঃ ০৩৬১-২২৬২৯৮৭
০৩৭১৩-২৪০১৮৫



দিনাংক ঃ ২৬-০৬-২০০৮

## শুভেচ্ছা

ছিপাঝাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাই মহাবিদ্যালয়ৰ মুখপত্ৰ ''ছিপাঝাৰ মহাবিদ্যালয় আলোচনী''ৰ ২৫ তম সংখ্যাটি প্ৰকাশৰ দিহা কৰা বুলি জানি সুখী হৈছো। ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য চৰ্চাৰ ক্ষেত্ৰত বিদ্যালয়-মহাবিদ্যালয়ৰ আলোচনীয়ে যথেষ্ট অৰিহণা যোগায়। সাহিত্য সৃষ্টিৰ দিশতো আলোচনী সমূহৰ ভূমিকা অতিশয় গুৰুত্বপূৰ্ণ। মই আশা কৰো, আলোচনীখনিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে সাহিত্য জগতত আত্মবিকাশৰ সুবিধা লাভ কৰিব। ইয়াৰোপৰি, আঞ্চলিক ইতিহাস আৰু সংস্কৃতিৰ দিশতো আলোচনীখনিয়ে বিশেষ ভূমিকা পালন কৰিব।

আন্তৰিক শুভেচ্ছাৰে-

বিধায়ক তথা সভাপতি
ছিপাঝাৰ মহাবিদ্যালয় পৰিচালনা সমিতি

Prof. Abani Kumar Bhagabati
Registrar

Gauhati Universit
Gopinath Bardoloi Naga
Guwahati-781 01
Assam :: Ind

## শুভ-কামনা

ছিপাঝাৰ মহাবিদ্যালয়ে ইয়াৰ বাৰ্ষিক আলোচনীখন প্ৰকাশ কৰিবলৈ লোৱাৰ বাতৰি পাই ভাল লাগিছে। এই মহাবিদ্যালয়খনলৈ আমি একাধিক বাৰ গৈছো আৰু ছাত্ৰ-ছাত্ৰীসকলৰ লগতে শিক্ষকবৃন্দৰ লগতো ভাৱৰ বিনিময় কৰিছো।নানা সমস্যাৰ সন্মুখীন হৈও শিক্ষকসকলৰ কৰ্তব্যনিষ্ঠা, স্থানীয় ৰাইজৰ সদিচ্ছা আৰু বিদ্যাৰ্থীসকলৰ শিক্ষা-সাধনাৰ বলত ৰাজ্যখনৰ আগশাৰীৰ শিক্ষানুষ্ঠানবোৰৰ মাজৰ অন্যতম হিচাপে মহাবিদ্যালয়খনে আত্মপ্ৰতিষ্ঠা কৰিবলৈ সক্ষম হোৱাটো সঁচাই সুখৰ বিষয়।

দৰং জিলাৰ ছিপাঝাৰ অঞ্চলটো লোককলাৰ ক্ষেত্ৰত বিশেষ আগবঢ়া। বৈচিত্ৰ্যৰে ভৰা অসমীয়া সাহিত্য-সংস্কৃতিৰ জগতখনলৈ এই অঞ্চলৰ অৰিহণা অসামান্য। আলোচনীখনৰ পাতে পাতে অঞ্চলটোৰ ঐশ্বৰ্য-ঐতিহ্যৰ লগতে আজিৰ যুৱচামৰ মাজত গঢ়ি উঠা শিক্ষা-সাংস্কৃতিক চেতনা আৰু তেওঁলোকে সন্মুখীন হোৱা প্ৰত্যাহ্বানৰ সতেজ প্ৰতিফলন নিশ্চয় ঘটিব।

আলোচনীখনৰ শুদ্ধ, সবল আৰু সৰ্বাঙ্গীন সুন্দৰ প্ৰকাশ কামনা কৰিলো, আৰু এই সুযোগতে মহাবিদ্যালয়ৰ অধ্যক্ষ, শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকললৈ যথাযোগ্যভাৱে আমাৰ আন্তৰিক শ্ৰদ্ধা, চেনেহ আৰু কৃতজ্ঞতাৰ শৰাই নিবেদিলো।

বিনীত-

## ।। আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ।।



কৰ্মৰত অৱস্থাত অধ্যক্ষ মাননীয় শ্ৰীযুত কনক চন্দ্ৰ ডেকা

## তত্বাৱধায়কৰ এষাৰ



যুগে যুগে এই পৃথিৱীত জীৱশ্ৰেষ্ঠ মানুহে সত্য আৰু সুন্দৰৰ সাধনাত ব্ৰতী হৈ আহিছে। দুষ্কৃতিক বিনাশ কৰি সংস্কৃতিৰ আৰাধনা কৰাটোৱেই সভ্যতাৰ আধাৰ। মানৱ মনৰ সুকোমল হৃদয় নিঃসৃত অমৃতধাৰাই সৃষ্টি কৰে সুন্দৰ সাহিত্য আৰু এই সাহিত্য অধ্যয়নে মানুহক জ্যোতিৰ সন্ধান দিয়ে। জ্যোতিয়েই জ্ঞান। জ্ঞানৰ জ্যোতিৰে জ্যোতিষ্মান ভাৰতীয় ঋষি-মুণিসকলে অসাধ্য সাধন কৰিব পাৰিছিল। সমাজৰ দৈত্যৰূপী অহমিকাবোৰ পুৰি চাই কৰি মানুহক শ্ৰেষ্ঠত্ব প্ৰদান কৰিছিল। বৰ্তমান সময়তো ইয়াৰ ব্যতিক্ৰম হোৱা নাই, প্ৰয়োজন একেই আছে সাহিত্য সৃষ্টিৰ। সাহিত্য সৃষ্টিৰে জ্ঞান অন্বেষণৰ দুৱাৰদলি হৈছে বিদ্যালয়, মহাবিদ্যালয়সমূহ। ইয়াতে অঙ্কুৰিত সাহিত্য কৰ্মই আত্ম প্ৰকাশ কৰে সৰু বৰ আলোচনীবোৰৰ মাজেৰে। ছাত্ৰ সমাজে আন্ধাৰ বিনাশী পোহৰৰ বাটত অগ্ৰসৰ হোৱাৰ সুবিধা পায়। মহান সাহিত্যিক সকলেও সাহিত্য সৃষ্টিৰ বাটত প্ৰথম খোজ দিছিল এই আলোচনীবোৰৰ বুকুতেই। তাতেই পাহি মেলা কুঁহিপাতে পাছত ঠন ধৰি উঠিছিল।

বৰ্তমান সময়ত সমাজত দিনে দিনে পৰিবৰ্তন হব ধৰিছে। সমাজ পৰিবৰ্তনশীল, তাক কোনেও বাধা দিব নোৱাৰে। নতুন প্ৰজন্মৰ মাজত গ্ৰন্থ অধ্যয়নৰ স্পৃহা দুঃখজনক ভাৱে কমি যোৱা দেখা গৈছে। ভোগবাদী লালসাই ৰাহুৰ দৰে সমাজখন গ্ৰাস কৰিবলৈ লৈছে। সস্তীয়া নাটক, চিনেমা, গীত আৰু বিভিন্ন ইলেক্ট্ৰনিক মাধ্যম সমূহে সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীকে গ্ৰন্থ অধ্যয়নৰ আনন্দৰ পৰা দূৰলৈ লৈ গৈছে। যাৰ ফলত মানবীয় মূল্যবোধৰ অভাৱ হৈছে। নৈতিক স্খলন ঘটিছে। গুৰু-শিষ্যৰ মাজৰ মধুৰ সম্বন্ধত ফাঁট মেলিছে। এইবোৰ অন্যায়-অনীতিৰ পৰা সমাজক ৰক্ষা কৰিবলৈ মানুহে সংস্কৃতিক আঁকোৱালি লবই লাগিব।

বিদ্যালয়-মহাবিদ্যালয়ৰ আলোচনীবোৰ সম্পাদনা কৰি উলিয়াওতে সম্পাদক তথা তত্বাৱধায়ক গৰাকীয়ে কিমানখিনি কষ্ট স্বীকাৰ কৰিবলগীয়া হয় সেইটো প্ৰকাশ কৰা টান। ছাত্ৰ-ছাত্ৰীৰ মাজৰপৰা লেখনি সংগ্ৰহ কৰা আৰু গুণাগুণ নিৰ্ণয় কৰি প্ৰকাশৰ উপযোগী কৰি তোলাটো সঁচাকৈয়ে বৰ কষ্টসাধ্য। এই ক্ষেত্ৰত সম্পাদক গৰাকী কিছু অভিজ্ঞতাসম্পন্ন হ'লে ভাল। আমাৰ মহাবিদ্যালয়ৰ এই সংখ্যাৰ আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰতো ভালেখিনি অসুবিধাৰ সন্মুখীন হবলগীয়াত পৰে। তাৰে ভিতৰত প্ৰধান হৈছে ছাত্ৰ-ছাত্ৰীৰ মাজৰপৰা উন্নতমানৰ লেখনিৰ অভাৱ। বহুবাৰ জাননী যোগে জনোৱাৰ পিছতো সময়ত লেখনিসমূহ সম্পাদকৰ হাতত নপৰে, যিখিনি সময়ত আহি হাতত পৰিছে তাৰে কেইটিমান লেখনিৰ বাদে বাকীবোৰৰ কিছুমান সংশোধন কৰা হৈছে আৰু কিছুমান প্ৰকাশ কৰিব পৰা নগ'ল। তথাপি সহকৰ্মী শিক্ষক, শিক্ষয়িত্ৰী, কাৰ্যালয় সহায়ক, প্ৰাক্তন ছাত্ৰ আৰু ছাত্ৰী-ছাত্ৰীৰ লেখনিৰে আলোচনীখন সমৃদ্ধ কৰা হৈছে।

যোৱা সংখ্যা ২০০৬-০৭ শিক্ষাবৰ্ষৰ আলোচনীখনৰ তত্বাৱধায়কৰ দায়িত্ব আমাৰ হাততে আছিল যদিও দুৰ্ভাগ্যবশতঃ উক্ত সংখ্যাটি প্ৰকাশ কৰিব পৰা নগ'ল। কিয়নো উক্ত বৰ্ষৰ বিভাগীয় সম্পাদকজনে মহাবিদ্যালয় সপ্তাহৰ সাহিত্য প্ৰতিযোগিতা পৰিচালনা কৰাৰ পিছত ব্যক্তিগত কাৰণত মহাবিদ্যালয়ৰপৰা আঁতৰি থকাত লেখনিসমূহ সঠিকভাৱে সংগ্ৰহ কৰিব নহ'ল। সেয়ে ছাত্ৰ একতা সভাৰ সিদ্ধান্ত মৰ্মে ২০০৭-০৮ বৰ্ষৰ সম্পাদিকা গৰাকীকেই দুয়োটা সংখ্যাৰ আলোচনী একেলগে সম্পাদনা কৰাৰ দায়িত্ব দিয়া হয়। সম্পাদিকা শ্ৰীমতী ভায়লিনা ভাৰতীয়ে যথেষ্ট কষ্ট স্বীকাৰ কৰি আলোচনীখন প্ৰকাশৰ বাবে সাজু কৰি উলিয়াইছে, লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, সম্পাদনা সমিতিৰ সদস্যসকল, বিশেষকৈ ড° দিবাকৰ চন্দ্ৰ দাস, ড° ৰামচন্দ্ৰ ডেকা, শ্ৰীমুকুল কুমাৰ চহৰীয়া আৰু শ্ৰীদুলেন নাথে আগবঢ়োৱা সহায়ৰ বাবে কৃতজ্ঞ হৈছো। লগতে নবীন অফ্ছেটৰ স্বত্বাধিকাৰ প্ৰমুখ্যে কৰ্মকৰ্তা সকলৰো শলাগ লৈছোঁ।

শ্ৰীমহেন্দ্ৰ কটকী
তত্বাৱধায়ক

# সম্পাদকীয়





ছিপাঝাৰ মহাবিদ্যালয়ৰ "ছিপাঝাৰ মহাবিদ্যালয় আলোচনী" খনৰ সম্পাদকীয় প্ৰতিবেদন লিখিবলৈ ওলাই মই প্ৰথমে সেইসকল ব্যক্তিলৈ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ যি সকল মহান ব্যক্তিৰ অশেষ কষ্ট, কঠোৰ পৰিশ্ৰম আৰু ত্যাগৰ ফলত এই মহান শিক্ষানুষ্ঠানটি গঢ় লৈ উঠিছিল।

এটা জাতি জাতি হিচাপে গঢ় লৈ উঠিবলৈ হ'লে লাগিব কেইটামান উপাদান। সেই কেইটাৰ ভিতৰত ক'ব পাৰি ভাষা, সাহিত্য, সংস্কৃতি, ৰীতি-নীতি, পৰম্পৰা ইত্যাদি। এইবিলাক উপাদানৰ সমষ্টিতে গঢ় লৈ উঠিছে আমাৰ অসমীয়া জাতিটো। কোনো এটা জাতি থাকিলেহে সৃষ্টি হ'ব সেই জাতিৰ সংস্কৃতি আৰু সেই সংস্কৃতিৰ মাধ্যমতে সৃষ্টি হয় সাহিত্যৰ। এই সাহিত্য সংস্কৃতিৰ মাজতেইতো অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ সকলো দিশ সাঙোৰ খাই থাকে। গতিকে আমি এই সাহিত্য সংস্কৃতিৰ মাজেৰেই জাতিটোৰ সকলো দিশ অধ্যয়ন কৰিব পাৰো।

বাস্তৱ জীৱনত পোৱা বিভিন্ন অভিজ্ঞতাৰ ফলস্বৰূপে সৃষ্টি হয় সাহিত্য। মানুহৰ জীৱনত ঘাত-প্ৰতিঘাত, হাঁহি-কান্দোন, সুখ-দুখ, পোৱা-নোপোৱাৰ আনন্দ-বেদনা আছে। এই বিচিত্ৰ মানৱ সমাজখনত সংঘাতময় জীৱনত লাভ কৰা অভিজ্ঞতা সমূহক বিভিন্ন মাধ্যমেৰে লিখিত বা মৌখিকভাৱে শুৱলা শব্দৰ গাথনিৰে প্ৰকাশ কৰিলেই সৃষ্টি হৈ পৰে সাহিত্যৰ। সাহিত্য হৈছে এক কলা, যাৰ জৰিয়তে ব্যক্তিয়ে নিজৰ আশা-আকাংক্ষা, চিন্তাধাৰা, কল্পনা আদিক এই কলাৰ মাধ্যমেৰে বাস্তৱত ৰূপায়িত কৰি নিজৰ ব্যক্তিত্বৰ লগতে এখন সুস্থ-সবল সমাজ গঢ়ি তোলাৰ ক্ষেত্ৰত ধনাত্মক দিশত আগবাঢ়ি যাব পাৰে।

বৰ্তমান প্ৰতিযোগিতামূলক যুগত মানৱ সমাজ তথা সময়ৰ পৰিবৰ্তনৰ লগে লগে সাহিত্য-সংস্কৃতিৰ উপৰিও সমাজৰ বিভিন্ন দিশত মানুহৰ বৌদ্ধিক, মানসিক চিন্তাধাৰা আদিৰ পৰিবৰ্তন হোৱা দেখা যায়। এই পৰিবৰ্তনবোৰত কিছুমান নেতিবাচক আৰু ইতিবাচক দিশ পৰিলক্ষিত হোৱা দেখা যায়। বৰ্তমান দেখিবলৈ পোৱা গৈছে যে আমাৰ সমাজৰে এচাম মানুহে পশ্চিমীয়া সংস্কৃতিক অনুকৰণ কৰাৰ ফলস্বৰূপে তেওঁলোকে সাহিত্য চৰ্চা তথা অধ্যয়নৰ প্ৰতি অনাসক্ত হৈ পৰিছে। তেওঁলোক বিজ্ঞানৰ ন ন প্ৰযুক্তিৰ প্ৰতি আসক্ত।

দেখা গৈছে আমাৰ উঠি অহা এচাম যুৱ-প্ৰজন্মই কিছুমান সস্তীয়া সপোন দেখিবলৈ গৈ অন্ধকাৰ পথত অগ্ৰসৰ হৈছে। আধুনিকতাৰ নামত এচাম যুৱক-যুৱতী উটি ভাহি ফুৰিছে সমাজৰ কিছুমান অমাজনীয় নৈতিকতাবিহীন কাৰ্যত। আজিকালি কলেজৰ ছাত্ৰ-ছাত্ৰীৰ হাতে হাতে মোবাইল, বাইক আদিয়ে প্ৰাধান্য লাভ কৰিছে। হয়তো ছাত্ৰ-ছাত্ৰীসকলৰ মনৰ ভাৱ যে তেওঁলোকৰ হাতত মোবাইলটো নহ'লে, কলেজলৈ বাইকখন লৈ নাহিলে তেওঁলোকৰ কোনো সন্মানেই নাথাকে। ছাত্ৰ-ছাত্ৰীৰ এনেবোৰ অমাৰ্জনীয় কাৰ্যই মহান শিক্ষানুষ্ঠানবোৰৰ যি শান্তিময় শৈক্ষিক পৰিবেশ তাক বিনষ্ট কৰিছে। যাৰ ফলত আমাৰ সমাজ ব্যৱস্থাও নিম্নগামী হৈছে। সপোন আৰু আশাই মানুহক জনা বুজা হোৱাৰে পৰা লগ দি আহিছে। সেয়ে হয়তো কোৱা হয় মানুহ আশাবাদী বাবে আজিও এই পৃথিৱীত জীয়াই আছে। মানুহৰ এই সপোন আৰু আশাই ইতিবাচক দিশত পৰিৱৰ্তন লাভ কৰিলে জীৱনত সঠিক বাট দেখা পোৱাৰ লগতে ন ন সৃষ্টিয়ে গজালি মেলিব।

কোনো এখন বিদ্যালয় বা মহাবিদ্যালয়ৰ আলোচনী সমূহে সাহিত্যৰ ভঁৰাল চহকী কৰাত যথেষ্ট ভূমিকা গ্ৰহণ কৰিব পাৰে। আলোচনী এখনৰ পাতত লুকাই থাকে ছাত্ৰ-ছাত্ৰীৰ সৃজনী প্ৰতিভা। ছিপাঝাৰ মহাবিদ্যালয়ৰ দৰে এখন উচ্চ শিক্ষানুষ্ঠানত সাহিত্য-সংস্কৃতিৰ ধাৰাটোক জীয়াই ৰখাৰ লগতে অসমীয়া সাহিত্যৰ ভঁৰালতো যাতে এই আলোচনীখনে বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰে তাৰে উদ্দেশ্য আগত ৰাখিয়েই মই মোৰ সম্পাদনাৰ কালতো এখন সৰ্বাংগ সুন্দৰ আলোচনী প্ৰকাশ কৰি উলিয়াম বুলি ভাবিছিলো। আগৰ কেইবছৰতকৈ অলপ উন্নত মানৰ কৰি এখন সৰ্বাংগ সুন্দৰ আলোচনী সময়ত প্ৰকাশ কৰি উলিওৱাৰ বৰ হেঁপাহ আছিল যদিও মই বাটচ'ৰাতে থমকি ৰব লগা হ'ল ছাত্ৰ-ছাত্ৰীসকলৰ পৰা সময়ত উন্নত মানদণ্ডৰ লিখনি নোপোৱা বাবে। মই অতি দুখেৰে কওঁ যে লিখনী বিচাৰি কেইবাবাৰো বিজ্ঞাপন দিয়াৰ পিছতো যথাসময়ত লিখনি সমূহ আহি নোপোৱাত আমি সময় মতে আলোচনীখন প্ৰকাশৰ ব্যৱস্থা কৰিব পৰা নাই।



মহাবিদ্যালয়ৰ আলোচনীখন সময়ত প্ৰকাশ নোহোৱাৰ বাবে সম্পাদক বা সম্পাদিকা এগৰাকী কেতিয়াও দায়ী হ'ব নোৱাৰে। মহাবিদ্যালয়ৰ আলোচনীখন সময়ত প্ৰকাশ কৰি উলিওৱাৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ প্ৰত্যেকজন সদস্যৰে দায়িত্ব থাকিব লাগে। কোনো এখন অনুষ্ঠানৰ আলোচনী এখন প্ৰকাশ কৰি উলিওৱাতো কিমান কষ্টকৰ তাক ভুক্তভোগীয়েহে বুজিব পাৰিব। হয়তো এই আলোচনীখনো এই বৰ্ষত প্ৰকাশ নাপালেহেঁতেন, যদিহে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ কঠোৰ নিৰ্দেশ নাপালোহেঁতেন।

**বিগত কাৰ্যকালৰ বিৱৰণ ঃ**

বিগত কাৰ্যকালছোৱাৰ প্ৰথম ভাগতে "মহাবিদ্যালয় সপ্তাহ"ৰ লগত সংগতি ৰাখি ইং ১৭-১১-০৭ তাৰিখে এখনি "সাহিত্য প্ৰতিযোগিতা" অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয় সপ্তাহৰ মুকলি সভাৰ দিনাখন অৰ্থাৎ ইং ২২-১১-০৭ তাৰিখে মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা "ছিপাঝাৰ মহাবিদ্যালয় প্ৰাচীৰ পত্ৰিকা" প্ৰকাশ কৰি উলিওৱা হয়। এই প্ৰাচীৰ পত্ৰিকা সংখ্যাটি উন্মোচন কৰে ছিপাঝাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা ড° ৰামচন্দ্ৰ ডেকা চাৰদেৱে।

**কৃতজ্ঞতা ঃ**

মোৰ কাৰ্যকালছোৱাত তথা আলোচনীখন সম্পাদনা কৰি উলিওৱাৰ ক্ষেত্ৰত মোক সততে দিহা-পৰামৰ্শ, উৎসাহ-উদ্দীপনা তথা নানা ধৰণে সহায়-সহযোগ আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীযুত কনক চন্দ্ৰ ডেকা চাৰৰ লগতে তত্বাৱধায়ক মাননীয় শ্ৰীযুত মহেন্দ্ৰ কটকী চাৰ আৰু মাননীয় শ্ৰীযুত দুলেন্দ্ৰ নাথ চাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মোৰ কাৰ্যকালছোৱাত বিভিন্ন কাৰ্যসূচীত সহায় কৰা বন্ধু-বান্ধৱীসকল, বিশেষকৈ অৰিন্দম, ছায়া, গুণমণি, পাপৰি, মমী, জেউতি, কাকলি আদিলৈ কৃতজ্ঞতা জনাইছোঁ।

সদৌ শেষত ছিপাঝাৰ মহাবিদ্যালয়ৰ "ছিপাঝাৰ মহাবিদ্যালয় আলোচনী" খনৰ দীৰ্ঘায়ু কামনা কৰি লগতে অজানিতে হৈ যোৱা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি মই মোৰ সম্পাদকীয় প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

"জয়তু ছিপাঝাৰ মহাবিদ্যালয়"

ভায়লিনা ভাৰতী
সম্পাদিকা, আলোচনী বিভাগ।

# সূচীপত্ৰ


| | | |
|---|---|---|
| আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষৰ সৈতে মুখামুখি (এটি সাক্ষাৎকাৰ) | | ১ |
| **প্ৰবন্ধ ০০০০** | | |
| ঐতিহ্যমণ্ডিত খটৰা সত্ৰত পালনীয় উৎসৱ-পাৰ্বণসমূহ | হিমাক্ষী চহৰীয়া | ৫ |
| মোমাই তামুলী বৰবৰুৱাৰ কৰ্ম আৰু আদৰ্শ--এটি মূল্যায়ন | দুলেন নাথ | ৮ |
| কুকুৰা গাঁৱৰ ইতিহাস | শিৱ প্ৰসাদ বৰদলৈ | ১০ |
| স্বাধীনতা সংগ্ৰামৰ পটভূমিত অসমীয়া চুটি গল্প | ড° ৰামচন্দ্ৰ ডেকা | ১২ |
| দৰ্শন আৰু মোৰ অনুভৱ | তৰালি নাথ | ১৪ |
| আহোম যুগৰ সংস্কৃতি | লুকুমণি নাথ | ১৬ |
| অসমীয়া জাতীয় জীৱনত তাঁতশাল | আচ্‌ফি আৰ্জুনা বেগম | ১৯ |
| নৱবৰ্ষৰ শুভেচ্ছা ঃ গ্ৰীটিংছ কাৰ্ড | অক্ষয় কুমাৰ নাথ | ২২ |
| অসমীয়া সংস্কৃতি আৰু শংকৰদেৱ | ময়ূৰী ডেকা | ২৪ |
| এইড্‌ছ--এক মাৰাত্মক ব্যাধি | নুৰ হুছেইন | ২৫ |
| সাফল্যৰ সোপান আৰু আমাৰ কৰ্ম | কল্যাণী দেৱী | ২৭ |
| ছিপাঝাৰ মহাবিদ্যালয় ছাত্ৰী নিবাস --এটি আলোকপাত | বিনীতা চহৰীয়া | ২৯ |
| গুৰু দক্ষিণা | টংকেশ্বৰ ডেকা | ৩১ |
| উত্তৰ-ঔপনিবেশবাদ | ইমৰান হুছেইন | ৩৩ |
| অসম সমস্যা | গৌতম কুমাৰ বৰুৱা | ৩৫ |
| জানো আহক | ছায়াৰাণী দেৱী | ৩৬ |
| **গল্প০০০০** | | |
| সপোনৰ অপমৃত্যু | জেউতি দেৱী | ৩৭ |
| আত্মাহুতি | ৰুমী ডেকা | ৩৯ |
| ভগ্ন সপোন | জোনালী ডেকা | ৪১ |
| মৰহা ফুলৰ সুবাস | পল্লৱীতা বৰুৱা | ৪৪ |
| ৰঙা ফোঁট | কমলজ্যোতি চহৰীয়া | ৪৭ |
| নৈয়ে এৰা সুঁতি | নিত্যানন্দ ডেকা | ৫০ |
| পৰিণতি | নাজিমা বেগম | ৫৩ |
| সম্বন্ধ | ড° মোহিনী গোস্বামী | ৫৫ |
| **কবিতা০০০** | | |
| মাটি আৰু বীজ | ড° দেৱব্ৰত বৰদলৈ | ৫৮ |
| আত্ম মগন | জেউতি দেৱী | ৫৯ |
| কবি হোৱা হ'লে | অভিজিৎ হাজৰিকা | ৫৯ |
| আঘোন | আচ্‌ফি আৰ্জুনা বেগম | ৬০ |
| প্ৰকৃতি কুঁৱৰী | ডাবু নাৰায়ণ কোঁৱৰ | ৬০ |
| তই মোৰ মন পেৰাৰ গুটিমালী | হৰিপ্ৰিয়া দেৱী | ৬১ |
| কবিতা | পাপৰি চহৰীয়া | ৬১ |
| কোন পথেৰে আহিব আঘোন | জ্যোতিমণি নাথ | ৬২ |
| জীৱনৰ বাটত | তৃষ্ণা নাথ | ৬২ |
| বন্ধু তুমি | কাকলি চহৰীয়া | ৬৩ |
| মই এজন বিনিময় দিব নোৱাৰা প্ৰেমিক | কমলজ্যোতি চহৰীয়া | ৬৩ |
| ডায়েৰী | গীতালি কলিতা | ৬৪ |
| অনিৰ্বাণ | পংকি কলিতা | ৬৪ |
| ৰূপালী পামৰ দিক্‌ভ্ৰান্ত খেতিয়ক মই | পৰাণজ্যোতি চহৰীয়া | ৬৫ |
| নীলা তুমি আহিবানে | জয়ন্ত ডেকা | ৬৬ |
| বিদায় পথৰ বাটৰুৱা | নজৰিণ চুলতানা | ৬৭ |
| তুমি | দুলাল ডেকা | ৬৭ |
| **English Section oooo** | | |
| Students, Teachers and Guardians– A Triangle, Ancient and Modern | Dr. D.C. Das | 68 |
| Globalisation : Its impact on Indian Economy | Gultaz Begum | 70 |
| Your Eyes | Saya Rani Devi | 73 |
| The Mysterious World | Kalyani Devi | 73 |
| বিভাগীয় সম্পাদকীয় প্ৰতিবেদন | | ৭৪-৯৮ |
| Profiles | | 99-124 |




## ॥ সাক্ষাৎকাৰ ॥

# আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষৰ সৈতে মুখামুখি

**সম্পাদিকাৰ প্ৰশ্নঃ**

চাৰ আমাৰ নমস্কাৰ লব। ছিপাঝাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে আপুনি কেতিয়া কাৰ্যভাৰ গ্ৰহণ কৰে? অধ্যক্ষৰ দৰে দায়িত্বপূৰ্ণ পদত কাৰ্যনিৰ্বাহ কৰি আপোনাৰ কেনে অনুভৱ হৈছে? প্ৰতিষ্ঠাকালৰ এগৰাকী প্ৰবক্তা হিচাপে অধ্যক্ষৰ আসনত অধিষ্ঠিত হোৱাৰ কিবা সপোন অথবা পৰিকল্পনা আপোনাৰ আছিল নেকি?

**অধ্যক্ষৰ উত্তৰ ঃ**

প্ৰতিষ্ঠাকালৰ দুগৰাকী সতীৰ্থই অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰাত বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগৰ নীতি অনুসৰি এগৰাকী অধ্যক্ষ নিযুক্তি হয় আৰু মহাবিদ্যালয়ৰ জ্যেষ্ঠ প্ৰবক্তা হিচাপে মই উপাধ্যক্ষ হিচাপে নিযুক্ত হওঁ। কিন্তু অধ্যক্ষ ডঃ দেবেন শৰ্মাই হঠাতে যোৱা ২০-৬-২০০৬ তাৰিখে মহাবিদ্যালয়ৰ উপাধ্যক্ষ হিচাপে আমাৰ হাতত ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্ব অৰ্পণ কৰি বজালি মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে যোগদান কৰে। সেই তাৰিখৰে পৰা আমি ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰি আছো।

অধ্যক্ষৰ দৰে দায়িত্বপূৰ্ণ পদত কাৰ্যনিৰ্বাহ কৰি মোৰ অনুভৱ হৈছে— "নিষ্ঠা আৰু সততাৰে আগবাঢ়িলে এজন অধ্যক্ষই মহাবিদ্যালয়ৰ ৰূপ বদলাই দিব পাৰে। যদি সতীৰ্থ প্ৰবক্তা আৰু কৰ্মচাৰীসকলৰ সহযোগৰ অভাৱ নঘটে।" অনুভৱ হৈছে-- ছিপাঝাৰ মহাবিদ্যালয়ক পশ্চিম দৰঙৰ এখনি সৰ্বশ্ৰেষ্ঠ উচ্চ শিক্ষাৰ অনুষ্ঠান হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত যেন আমি অনেক সুবিধা গ্ৰহণ কৰাত বিফল হৈছোঁ।

জ্যেষ্ঠতাৰ ভিত্তিত এসময়ত মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰিব লগীয়াটো মোৰ বাবে নিশ্চিত আছিল। তেতিয়া মনলৈ তেনে কিছু পৰিকল্পনা যে অহা নাছিল এনে নহয়। কিন্তু পৰৱৰ্তী কালত অধ্যক্ষৰ অৰ্হতা বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগে পুনৰ নিৰ্দ্ধাৰণকৰাত মোৰ অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ সপোন, সপোন হৈ থাকিব বুলি ধৰি লৈছিলো। কিন্তু অনাহূত ভাৱেই আমি দুবছৰতকৈয়ো অধিক সময় ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰিব লগীয়া হ'লো। এই অপ্ৰত্যাশিত সৌভাগ্যৰ বাবে মই কাৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰিম? প্ৰথমে ভগৱানৰ ওচৰত, দ্বিতীয়তে মোৰ সতীৰ্থ প্ৰবক্তা আৰু কৰ্মচাৰীবৃন্দৰ ওচৰত আৰু তৃতীয়তে মোৰ মৰমৰ ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত মই মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। সকলোৰে সহযোগত মই মোৰ কাৰ্যকালত ভৱামতে কিছু কাম কৰিবলৈ সমৰ্থ হৈছোঁ। সুদীৰ্ঘ দহ বছৰ ধৰি এইখন মহাবিদ্যালয়ত বিনা বেতনে শিক্ষকতা কৰিছোঁ। অনেক ত্যাগ স্বীকাৰ কৰিছোঁ মহাবিদ্যালয়খনিৰ উন্নয়নৰ স্বাৰ্থত। আজি অধ্যক্ষ হিচাপে সেৱা আগবঢ়াবলৈ পোৱা সুবিধাখিনিও সেই নিস্বাৰ্থ সেৱাৰেই ফল বুলি মই ধৰি লৈছোঁ।

প্ৰশ্ন ঃ

চাৰ, আপোনাৰ চমু কাৰ্যকালতে ছিপাঝাৰ মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসৰ আধাৰশিলা স্থাপনেই নহয় নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ উপৰিও ছাত্ৰীনিবাসত ছাত্ৰীয়ে আজি থাকি শিক্ষা গ্ৰহণ কৰিব পাৰিছে। এয়া আপোনাৰ কাৰ্যকালৰ এক উল্লেখনীয় সাফল্য বুলি আলোচিত হৈছে। ছিপাঝাৰ মহাবিদ্যালয়ৰ 'ছাত্ৰী নিবাস' নিৰ্মাণৰ বিষয়ে অকণমান কওকচোন চাৰ।

উত্তৰ ঃ

হয়, ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰা কম সময়ৰ ভিতৰতেই ছিপাঝাৰ মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসৰ আঁচনি গ্ৰহণ আৰু সফল ৰূপায়ণ কৰা হৈছে। যিটো ছিপাঝাৰ মহাবিদ্যালয়ৰ প্ৰগতিত এক নতুন আৰু উল্লেখযোগ্য সংযোজন হিচাপে বিবেচিত হৈছে। ছাত্ৰীনিবাস বা ছাত্ৰনিবাস মহাবিদ্যালয় একোখনৰ বাবে এক অতি প্ৰয়োজনীয় অংগ। মহাবিদ্যালয়ৰ পৰিপূৰ্ণতাত ছাত্ৰনিবাস বা ছাত্ৰীনিবাসৰ এক বিশেষ ভূমিকা থাকে।

ৰাষ্ট্ৰীয় মূলাংকন আৰু প্ৰত্যায়ন পৰিষদ (NAAC) ৰ বিশেষজ্ঞ দল আমাৰ মহাবিদ্যালয়ত প্ৰৱেশ কৰিয়ে মহাবিদ্যালয়খন ছোৱালী মহাবিদ্যালয় নেকি বুলি আৰু ছাত্ৰী নিবাসত কিমান আবাসিক আছে বুলি প্ৰশ্ন কৰিছিল। ছাত্ৰী নিবাস নথকা বুলি কোৱা কাৰণে আশ্চৰ্য প্ৰকাশ কৰিছিল। তেতিয়াৰ পৰা আমি উক্ত অভাৱ আঁতৰ কৰাৰ প্ৰচেষ্টা হাতত লৈয়ো ফলৱত্তী হ'ব পৰা নাছিলো। ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে কাৰ্যভাৰ হাতত লৈ ঢাপলি মেলিছিলো N.E.R.O. U.G.C. Office অভিমুখে। সময় বেছি নালাগিল, অনুদান লাভ কৰিলো আৰু ছাত্ৰী নিবাস গঢ়ি উঠিল। আমি কিন্তু সন্তুষ্ট নহয়। আকৌ আবেদন জনালোঁ। ২০০৮ চনৰ মাৰ্চ মাহত ইয়াৰ পৰিসৰ বৃদ্ধিৰ বাবে। লগে লগে অতিৰিক্তভাৱে ২৫ লাখ টকা অনুদান হিচাপে আগবঢ়াইছে। বৰ্তমান সেই ধন মহাবিদ্যালয়ৰ পুঁজিত জমা হৈ আছে।

ছাত্ৰী নিবাস নিৰ্মাণৰ কামত আমি অনেক বাধাৰ সন্মুখীন হৈছো। সেইবোৰৰ ভিতৰত এটা উল্লেখ নকৰাকৈ নোৱাৰিলোঁ বহুতে আমাক মৌখিক ভাৱে প্ৰশ্ন কৰিছিল-''ছিপাঝাৰ কলেজত ছোৱালী হোষ্টেল খুলি কিবা লাভ আছে জানো? ইয়াত ক'ৰপৰা ছোৱালী আহি থাকিব?'' আমাৰ উত্তৰ এটাই আছিল— ছিপাঝাৰ কলেজ প্ৰতিষ্ঠাৰ সময়ত একে প্ৰশ্নই আছিল কলেজ ইয়াত হ'বনে? এনেকি পৰিচালনা সমিতিৰ সভাপতিক আটাইবোৰ কথা অৱগত কৰিছিল আৰু বহুতো কথা ইয়াৰ অন্তৰালত লুকাই আছে।

প্ৰশ্ন ঃ

মহাবিদ্যালয় এখনৰ মেৰুদণ্ড স্বৰূপ হৈছে গ্ৰন্থগাৰ। এটি সৰ্বাংগ সুন্দৰ বিজ্ঞানসন্মত গ্ৰন্থগাৰ মহাবিদ্যালয়ৰ প্ৰয়োজন। আমাৰ গ্ৰন্থগাৰটি আপুনি বিজ্ঞানসন্মত বুলি ভাৱে নে? আপুনি কাৰ্যভাৰ লোৱাৰ সময়ত ইয়াৰ কিবা পৰিবৰ্তন সাধন কৰিলেনে?

উত্তৰ ঃ

এখন মহাবিদ্যালয়ৰ গ্ৰন্থগাৰ হৈছে মেৰুদণ্ড স্বৰূপ, যি সময়ত 'নাক'ৰ বিশষজ্ঞ দলে মহাবিদ্যালয়খন পৰিদৰ্শন কৰিছিল, সেই সময়ত গ্ৰন্থগাৰ বুলি পৰিচয় দিবপৰা অৱস্থা আমাৰ নাছিল। তোমালোকে দেখা নিশ্চয় পাইছা? মহাবিদ্যালয়খনে C++ লাভ কৰাৰ ইয়ো এটা দুৰ্বলতাৰ দিশ আছিল। বৰ্তমানআমাৰ মহাবিদ্যালয়ৰ গ্ৰন্থগাৰটি বিজ্ঞানসন্মত বুলি ক'ব নগ'লেও গ্ৰন্থগাৰটি যে পূৰ্ণ পৰ্য্যায়ৰ গ্ৰন্থগাৰ হৈছে তাক স্বীকাৰ কৰিবই লাগিব। বিগত বৰ্ষত আধৰুৱা বা অৰ্দ্ধনিৰ্মিত অৱস্থাত থকা গ্ৰন্থগাৰটি সম্পূৰ্ণ কৰি এই বছৰত প্ৰায় এক লাখ টকাৰ পাঠ্যপুথি, মেগাজিন, কম্পিউটাৰ, জেৰক্স মেচিন, ৰেক, টেবুল, চকী ইত্যাতি যোগান ধৰি শিক্ষক, ছাত্ৰ-ছাত্ৰীক অধ্যয়নৰ ব্যৱস্থা কৰি দিয়া হৈছে।

প্ৰশ্ন ঃ

চাৰ, এইখন মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে ইয়াৰ শৈক্ষিক পৰিবেশ উন্নত হোৱা বুলি ভাবেনে?

উত্তৰ ঃ

আমাৰ মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ উন্নত হোৱা বুলি ভাৱো। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অনুষ্ঠিত হোৱা স্নাতক শেহান্ত পৰিক্ষাত বুৰঞ্জী বিভাগত ১ম শ্ৰেণীৰ ১ম স্থান লাভ কৰাৰ উপৰিও কেইবাগৰাকী ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম শ্ৰেণী লাভ কৰিবলৈ সক্ষম হৈছে। ঠিক একেদৰে উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফলো চকুত লগা হ'ব ধৰিছে। এই ক্ষেত্ৰত আমাৰ অধ্যাপক সকলে যথেষ্ট প্ৰচেষ্টা হাতত লোৱা দেখা গৈছে। এইবেলি ২০০৮ চনৰ উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিকত এগৰাকী ছাত্ৰী ৮১% নম্বৰ লাভ কৰি প্ৰমাণ কৰিছে যে, ইয়াৰ শৈক্ষিক মান উন্নত হৈছে। স্নাতক ২য় বৰ্ষতো ৭ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে ভূগোল বিষয়ত ১ম শ্ৰেণী লাভ কৰিবলৈ সমৰ্থ হৈছে ।

শিক্ষক-শিক্ষয়িত্ৰী সকলেও বিভিন্ন বিষয়ৰ ওপৰত গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰিছে। আনন্দৰ কথা যে, বৰ্তমানে আমাৰ মহাবিদ্যালয়ৰ কেইবাজনো শিক্ষক-শিক্ষয়িত্ৰীয়ে Ph.D. আৰু M.Phil. ডিগ্ৰীৰ বাবে অধ্যয়নৰত হৈ আছে আৰু অচিৰেই





তেওঁলোকে সন্মানীয় ডিগ্ৰী লাভ কৰিবৰ বাবে সমৰ্থ হ'ব।

প্ৰশ্ন ঃ

আপুনি একে সময়তে কেইবাটাও পদত অধিষ্ঠিত হৈ আহিছে। যেনে--বিভাগীয় মুৰব্বী, উপাধ্যক্ষ আৰু অধ্যক্ষ। এই আটাইকেইটা পদ পৰিচালনা কৰাত অসুবিধা হোৱা নাইনে?

উত্তৰ ঃ

অসুবিধা নিশ্চয় হ'ব। মই একে সময়ত আটাইবোৰ দায়িত্ব পালন কৰিছো যদিও নামতহে, কাৰ্য্যক্ষেত্ৰত মহাবিদ্যালয়ৰ সমূহ শিক্ষক, কৰ্মচাৰী বন্ধু-বান্ধবীসকলে সহায়ৰ হাত বুলাই নগ'লে হয়তো সম্ভৱ হৈ নুঠিলহেঁতেন। এই সুযোগতে তেওঁলোকক ধন্যবাদ যাঁচিছো।

প্ৰশ্ন ঃ

মহাবিদ্যালয়ৰ গুৰিয়াল হিচাপে আপুনি ওপৰ মহলৰ, শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীৰ লগত কেনেদৰে সম্পৰ্ক ৰক্ষা কৰিছে?

উত্তৰ ঃ

মহাবিদ্যালয়ৰ প্ৰশাসন বৰ জটিল। দেখাত অধ্যক্ষজন গুৰিয়াল হিচাপে গণ্য কৰিলেও মহাবিদ্যালয়ৰ পৰিচালনা সমিতিয়ে বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বৰ্তমান চৰকাৰ, উচ্চাধিকৰ্ত্তা, বিশ্ববিদ্যালয়, বিশ্ববিদ্যালয় অনুদান আয়োগ, উচ্চতৰ মাধ্যমিক পৰিষদ প্ৰত্যক্ষ বা পৰোক্ষভাৱে সাঙোৰ খাই থাকে। ইয়াৰ বাহিৰেও শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক সকলো জড়িত হৈ পৰে। সেয়ে সকলোবোৰ শিক্ষানুষ্ঠানতে কিছুমান চিৰন্তন দ্বন্দ থাকে, তাৰে কিছুমান দ্বন্দই প্ৰকাশিত ৰূপ লয় আৰু কিছুমান অদৃশ্য হৈয়ে চলি থাকে। অনুষ্ঠানৰ ক্ষেত্ৰত এইবোৰ থাকিবই। কিন্তু মহাবিদ্যালয়ত যিহেতু বহু কৰ্তৃপক্ষ জড়িত হৈ থাকে সেয়ে ইয়াত দ্বন্দৰ অৱকাশ বেছি। সেইবাবে অধ্যক্ষজন কেতিয়াবা এনেকুৱা আৱৰ্তৰ ভিতৰত সোমাই দিক্-বিদিক্ হেৰুৱাই পেলোৱাটো অস্বাভাৱিক নহয়। লাগে মাত্ৰ ধৈৰ্য্য, সাহস আৰু বুদ্ধি। যিকোনো কাম কৰোঁতে যদি পৰামৰ্শ যুগুতাই কৰা নহয় উজুতি খোৱাটো স্বাভাৱিক। সেয়ে সততে আমি ওপৰ মহলা, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ লগত এটা সু-সম্পৰ্ক ৰক্ষা কৰি আগুৱাই যোৱাত সহায়ক হোৱা বুলি ধাৰণা কৰিব পাৰো।

প্ৰশ্ন ঃ

আপোনাৰ কাৰ্য্যকালত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্ত্তিৰ সংখ্যা কমিছে নেকি? যদি কমিছে কি কাৰণে ?

উত্তৰ ঃ

আমাৰ কাৰ্য্যকালত ছাত্ৰ-ছাত্ৰী কমিছে বুলি নহয় অসমৰ প্ৰায়বোৰ মহাবিদ্যালয়তে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস পাব ধৰিছে। ইয়াৰ কাৰণ হ'ল--নিৱনুৱা আৰু আৰ্থিক সমস্যা। এই দুই সমস্যাৰ বাবে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস পোৱাটো স্বাভাৱিক। কিন্তু এইটো স্বীকাৰ কৰিবই লাগিব যে, যদি ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি কৰিব লাগে, তেনেহ'লে বৰ্তমান যুগৰ লগত খাপ খুৱাই কিছু Job oriented course introduce কৰিব লাগিব যাতে ভৱিষ্যতে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পায় আৰু এই ক্ষেত্ৰত সকলোৰে সহায়-সহযোগৰ প্ৰয়োজন হ'ব। আমাৰ মহাবিদ্যালয়তো কেইবছৰমান আগতে ছাত্ৰ-ছাত্ৰী কমিবলৈ ধৰিছিল, যদিও এতিয়া আকৌ বাঢ়িবলৈ আৰম্ভ কৰিছে।

প্ৰশ্ন ঃ

'নাক'ৰ পৰিদৰ্শনৰ সময়ত আপুনি উপাধ্যক্ষ হৈ আছিল। মহাবিদ্যালয়ে C++ লাভ কৰিছে। আমি ইয়াতকৈ বেছি ভাল ফলাফল লাভ কৰিব নোৱাৰাৰ অন্তৰালত আপুনি কি বুলি ভাৱে?

উত্তৰ ঃ

ৰাষ্ট্ৰীয় মূল্যাংকন আৰু প্ৰত্যায়ন পৰিষদৰ বিশেষজ্ঞ দলে বিগত ২০০৩ চনত ছিপাঝাৰ মহাবিদ্যালয়.ল অহাৰ আগমুহূৰ্তলৈ মহাবিদ্যালয়ৰ আন্তঃ গাথনিকে ধৰি সমগ্ৰ চৌহদৰ যি অৱস্থা আছিল তাক প্ৰকাশ নকৰিলেও হ'ব। খুব কম সময়ৰ ভিতৰত মহাবিদ্যালয়ৰ চৌহদৰ লগতে আন্তঃ গাথনিৰ কিছু পৰিবৰ্তন আনি আমি C++ লাভ কৰিবলৈ সমৰ্থ হওঁ। বৰ্তমান আমি ইয়াতকৈ বেছি ভাল ফলাফল লাভ কৰিব পাৰিম বুলি আশাবাদী। ইতিমধ্যে আমি শ্ৰেণীকোঠা নিৰ্মাণ, শিক্ষকসকলৰ বিভাগীয় কোঠা আৰু যাৱতীয় আচবাৱ, টেবুল-চকী, আলমিৰা আদি যোগান, ছাত্ৰীনিবাস নিৰ্মাণ, গ্ৰন্থগাৰ নিৰ্মাণ, কেণ্টিনৰ ব্যৱস্থা, বিশুদ্ধ খোৱাপানী যোগান আঁচনি সম্পূৰ্ণকৰণ, মহাবিদ্যালয়ত কেইবাটাও কম্পিউটাৰ যোগান, Web-site and Internet ব্যৱস্থা, Laptop আৰু LCD projector যোগান ইত্যাদি সম্পূৰ্ণ হৈ উঠিছে। সৌন্দৰ্য্য বৰ্দ্ধনৰ বাবে শিক্ষক-কৰ্মচাৰীৰ অনুৰোধ মৰ্মে মহাবিদ্যালয়ৰ সন্মুখত থকা পুৰণি শ্ৰেণীকোঠা সমূহ গ্ৰন্থগাৰৰ ওপৰ মহলালৈ স্থানান্তৰ কৰা হৈছে। ইতিমধ্যে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সন্মানীয় সভাপতি তথা বিধায়ক ডাঙৰীয়াই অনতিপলমে এটি প্ৰেক্ষাগৃহ তৈয়াৰ কৰিবৰ বাবে আঁচনি প্ৰস্তুত কৰি উলিয়াইছে। আশাকৰো ইয়ে অনতিপলমে নিৰ্মাণ হৈ উঠিব আৰু আমি এইবাৰ B++ লাভ কৰিবলৈ সমৰ্থ হম।

**প্ৰশ্ন ঃ**

বৰ্তমান সময়ত যুৱ প্ৰজন্মই পশ্চিমীয়া সংস্কৃতিক অনুকৰণ কৰিবলৈ লৈছে। এই ক্ষেত্ৰত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল পিছপৰি থকা নাই। মোবাইল ফোন আৰু বাইক পশ্চিমীয়া সংস্কৃতি হয় নে? এই বিষয়ত আপোনাৰ মতামত কি?

**উত্তৰ ঃ**

চোৱা, এইটো এটা ডাঙৰ প্ৰশ্ন। ইয়াৰ উত্তৰ একাষাৰতে দিব নোৱাৰি যদিও পশ্চিমীয়া সংস্কৃতি মই বেয়া বুলি কব নাযাওঁ। কিন্তু বৰ্তমান সমাজ ব্যৱস্থাত সংস্কৃতিৰ নামত অপ-সংস্কৃতিয়ে গা কৰি উঠিছে। আধুনিকতাৰ নামত অশ্লীলতাই সমাজখন গ্ৰাস কৰিছে। শোষক শ্ৰেণীয়ে সাধাৰণ শ্ৰেণীৰ মাজত কিছুমান বজৰুৱা মানসিকতা গঢ় দিয়াত সহায় কৰিছে। সংস্কৃতিৰ নামত সমাজৰ এক শ্ৰেণীৰ লোকে সাহিত্য, কলা, শিল্প, সংগীত আদি প্ৰচাৰ কৰি ছাত্ৰ-ছাত্ৰীক মজগুল কৰি ৰাখিছে আৰু ই আমাক প্ৰচণ্ড আঘাত হানিছে। চোৱা, মোবাইল ফোন আৰু বাইক পশ্চিম দিশৰ পৰা আহিলেও ইয়াৰ আৱশ্যকতা নুই কৰিব নোৱাৰি। কিন্তু দেখা গৈছে, আজিকালি মোবাইল ফোন আৱশ্যকৰ ঠাইত অনাৱশ্যকীয় কামতহে ব্যৱহাৰ হৈছে। আমাৰ মহাবিদ্যালয়ৰ চৌহদত ইয়াৰ ব্যৱহাৰ যি ধৰণে হ'ব ধৰিছে তাক লৈ উদ্বিগ্ন হৈ পৰিছো আৰু তোমালোকলৈ এটি পৰামৰ্শ থাকিল যাতে মহাবিদ্যালয়ৰ বাৰান্দা আৰু শ্ৰেণীকোঠাত ইয়াক ব্যৱহাৰ নকৰা। এই ক্ষেত্ৰত আটাইবোৰে মোৰ লগত সহায়ৰ হাত বুলাই সমাজত পশ্চিমীয়া সংস্কৃতিৰ বেয়া দিশটোলৈ নজৰ নাৰাখি ভাল দিশটো গ্ৰহণ কৰিবৰ বাবে আটাইলৈ অনুৰোধ থাকিল।

**প্ৰশ্ন ঃ**

ছিপাঝাৰ মহাবিদ্যালয়ৰ অধ্যক্ষৰ কাৰ্য্যভাৰ লৈ আপুনি সুখীনে?

**উত্তৰ ঃ**

সকলো ক্ষেত্ৰত কৃতকাৰ্য্য লাভ কৰিবলৈ হ'লে কিছুমান দেখা নেদেখা সমস্যাৰ সন্মুখীন হ'ব লগা হয়। সেইবোৰক সাহসেৰে গচকি যাব পাৰিলে কৃতকাৰ্য্য লাভ কৰিব পাৰি। মানুহৰ জীৱনটো হ'ল কৰ্মময়। কাম কৰি ভাল পাওঁ। মানুহৰ জীৱনত ভুল-ক্ৰটি থাকেই, তাক শুধৰাই লোৱাটোহে আচল কথা। "মহাবিদ্যালয়ৰ অধ্যক্ষ হৈ মই সুখী হয় নে?" এইবোৰ উত্তৰ দিবলৈ আমি অপৰাগ। মাত্ৰ এটা উত্তৰ দি থওঁ, অতি কম সময়ৰ ভিতৰত মহাবিদ্যালয়ৰ বাবে যি কৰিলো সেয়াই মোৰ আনন্দ।

**প্ৰশ্ন ঃ**

আপুনি এই মুখামুখী অনুষ্ঠানৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলক কিবা উপদেশ দিবনে?

**উত্তৰ ঃ**

ছাত্ৰ-ছাত্ৰীসকলক সদায় উপদেশ দি আহিছো। বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী সকলৰ মাজত এক বিৰাট ব্যৱধান পৰিলক্ষিত হৈছে। দুয়োটা পক্ষ আশা কৰা মতে ওচৰ চাপি আহিব পৰা নাই। আগতে শিক্ষক-ছাত্ৰ-ছাত্ৰীৰ যি সম্পৰ্ক আছিল, আজি সেই সম্পৰ্ক বিৰাজমান নহয়। দেশৰ পৰিবৰ্তনত ৰাজনৈতিক পৰিস্থিতি, অৰ্থনৈতিক ব্যৱস্থা আদিয়ে শিক্ষাৰ বাতাবৰণ দূষিত কৰিছে। প্ৰায়বিলাক ছাত্ৰ-ছাত্ৰীয়ে আজি যিকোনো এটা ৰাজনৈতিক দল বা সংগঠনৰ অন্তৰ্ভূক্ত হৈ থকা দেখা যায়। তেওঁলোকে দুয়োটা একেলগে সুকলমে চলাই যাব নোৱাৰে বাবে মূল দিশ পিছপৰি যাব ধৰিছে। ছাত্ৰ-ছাত্ৰীৰ দৈনিক উপস্থিতি বহীখনলৈ চকু ফুৰালে দেখা যায় যে, শতকৰা ৩৫ ভাগ মানহে নিয়মিত শ্ৰেণীত উপস্থিত থাকে। ৫০ ভাগ মান মুঠ পাঠদানৰ শতকৰা ১০টা মান শ্ৰেণীত উপস্থিত থাকে আৰু ১৫ ভাগ পৰীক্ষাৰ আগে আগে মহাবিদ্যালয়লৈ অহা-যোৱা কৰে। বৰ্তমান সময়ত পুথিভঁৰালত গৈ কম সংখ্যক ছাত্ৰ-ছাত্ৰীয়েহে দৈনিক বাতৰি কাকত পঢ়ে। আটাইকেইটা বিষয়ৰ কিতাপ কিনি অনা নাইবা আনৰ পৰা খুজি আনি পঢ়াৰ অভ্যাস ছাত্ৰ-ছাত্ৰীৰ নোহোৱা হৈ পৰিছে। অৱশ্যে আমি এনে ছাত্ৰ-ছাত্ৰী পাইছো যি নিয়মিত ভাৱে শ্ৰেণীত উপস্থিত থাকি আনৰ পৰা ধাৰ কৰি হ'লেও কিতাপ বা বাতৰি কাকতখন পঢ়ে। প্ৰয়োজনীয় নুবুজা কথা শিক্ষক-শিক্ষয়িত্ৰীৰ লগত আলোচনা কৰে। উপৰোক্ত বিষয়সমূহ চালি-জাৰি চাই নিজকে এজন উপযুক্ত ব্যক্তি হিচাপে গঢ় দি সমাজৰ লগতে নিজৰ হিত সাধন কৰিব বুলি উপদেশ আৰু পৰামৰ্শ থাকিল। ❑ ❑

---

*এজন শিক্ষক হব লাগিব শাৰীৰিক ভাৱে উপযুক্ত, আবেগিক ভাৱে ধীৰ-স্থিৰ, মানসিক ভাৱে সজাগ, সামাজিক ভাৱে কৰ্মপটু আৰু আধ্যাত্মিক দিশত ঈশ্বৰৰ প্ৰতি ভয়-ভক্তি থকা লোক ।*

*---দাৰ্শনিক এৰিষ্ট'টল।*





# ঐতিহ্যমণ্ডিত খটৰা সত্ৰত পালনীয় উৎসৱ পাৰ্বণসমূহ

*শ্ৰীহিমাক্ষী চহৰীয়া*
*স্নাতক তৃতীয় বৰ্ষ*

লুইতৰ উত্তৰপৰীয়া জিলা দৰঙত প্ৰাচীন কালৰেপৰা ঐতিহ্যৰ সুঁতি প্ৰবাহিত। ধৰ্ম-সংস্কৃতি, সাহিত্য আদিৰ দিশত দৰঙৰ গৌৰৱ গাঁথাক উলাই কৰিব নোৱাৰি। দৰঙৰ এনে গৌৰৱ বৰ্দ্ধনৰ ক্ষেত্ৰত ধৰ্মানুষ্ঠানসমূহৰ ভূমিকা তাৎপৰ্যপূৰ্ণ।

অসমৰ এটি অতিশয় বৈশিষ্ট্যপূৰ্ণ আৰু আপুৰুগীয়া অনুষ্ঠান হৈছে সত্ৰ। নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক মহাপুৰুষ শংকৰদেৱ এই 'সত্ৰ'ৰ প্ৰতিষ্ঠাপক। গুৰুজনাই 'একশৰণ নাম ধৰ্ম'ৰ লক্ষ্য আগত ৰাখি সত্ৰ আৰু নামঘৰ প্ৰতিষ্ঠা কৰি অসমবাসীক প্ৰেম অমৃতৰ সন্ধান দিছিল।

অতীজত দৰং অঞ্চল শাক্ত-শৈৱসকলৰ সাধনক্ষেত্ৰ আছিল যদিও শংকৰদেৱৰ শিষ্য-প্ৰশিষ্য তথা ভক্তসকলে তেৰাৰ ভক্তিধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে দৰঙতো বিভিন্ন সত্ৰ প্ৰতিষ্ঠা কৰিছিল। সেই সত্ৰসমূহৰ ভিতৰত 'খটৰা সত্ৰ' অন্যতম। সুদীৰ্ঘ চাৰিটা শতিকাজুৰি সমগ্ৰ দৰঙী ৰাইজৰ চেতনাক আধ্যাত্মিক চিন্তা-চৰ্চাৰে সজীৱ কৰি ৰখা ঐতিহ্যমণ্ডিত খটৰা সত্ৰ অসমৰ ধৰ্ম-সংস্কৃতিৰ বুৰঞ্জীৰ সঁচাকৈয়ে এটি গৌৰৱমণ্ডিত নাম।

শ্ৰীশ্ৰীমাধৱদেৱৰ প্ৰিয় শিষ্য লেচাকণীয়া গোবিন্দ আতৈয়ে গুৰুৰ আদেশ শিৰোধাৰ্য কৰি দৰঙত নামধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে ১৫৬৮ খ্ৰীষ্টাব্দত খটৰা সত্ৰখনি প্ৰতিষ্ঠা কৰিছিল আৰু আতৈয়ে খটৰাত সত্ৰ স্থাপন কৰি সেই অঞ্চলৰ অশিক্ষিত দস্যু প্ৰকৃতিৰ 'খট'সকলক বশ কৰে বুলি প্ৰবাদ আছে।

খটৰা সত্ৰখনিৰ পৰম্পৰাগত ভাৱে পালনীয় আচাৰ, ৰীতি-নীতি আৰু উৎসৱসমূহৰ এক সুকীয়া আসন আছে। এই উৎসৱ-পাৰ্বণ, আচাৰ-নীতি আৰু সত্ৰত চৰ্চিত কলা-সংস্কৃতি আদিৰ ভূমিকাই জনমানসক ধৰ্মৰ মূল লক্ষ্যৰ প্ৰতি ধাবিত কৰাই এক ধৰ্মীয় পৰিবেশ গঢ় দিয়াত সহায় কৰিছে।

ধৰ্মীয় সংস্কৃতিৰ ক্ষেত্ৰ এই ঐতিহ্যমণ্ডিত খটৰা সত্ৰ প্ৰতিষ্ঠাৰ দিন ধৰি বৈষ্ণৱসকলৰ উপৰিও শাক্ত-শৈৱসকলৰো উপাসনাৰ থলী হিচাপে বন্দিত হৈ আহিছে। ধৰ্মীয় মিলনৰ পূণ্যভূমি এই খটৰা সত্ৰত পৰম্পৰাগত ভাৱে বিভিন্ন ৰীতি-নীতিৰে উৎসৱ-পাৰ্বণ পালন কৰি অহা হৈছে। আৰু সেই উৎসৱ-পাৰ্বণৰে এটি সম্যক আলোচনা এই প্ৰবন্ধটিত দাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে।

**পাচেতি উৎসৱ ঃ**

সত্ৰত পালিত উৎসৱসমূহৰ ভিতৰত পাচেতি উৎসৱ সৰ্বাধিক জনপ্ৰিয় আৰু সুপ্ৰসিদ্ধ। শ্ৰীকৃষ্ণৰ জন্মৰ পাঁচ দিনত নন্দ ৰজাৰ ঘৰত গকুলবাসীয়ে আনন্দত আত্মহাৰা হৈ পাচেতি উৎসৱ পালন কৰিছিল। খটৰা সত্ৰত এই উৎসৱ ভাদ মাহৰ শেষদিনা আৰু আহিন মাহৰ প্ৰথমদিনা অনুষ্ঠিত হয়। খটৰা সত্ৰৰ পাচেতি উৎসৱ অন্যান্য সত্ৰৰ পাচেতি উৎসৱতকৈ কিছু ব্যতিক্ৰমধৰ্মী। ই মেলামুখী বৈশিষ্ট্য অটুট ৰখাৰ লগতে সত্ৰত প্ৰচলিত কৃষ্ণ ভক্তিকেন্দ্ৰিক ধৰ্মীয় আচাৰ-নীতি সংপৃক্ত। প্ৰচলিত ৰীতি অনুসৰি এই উৎসৱৰ আগদিনা উৎসৱৰ লগত ৰজিতা খুৱাই কিছু আনুষংগিক ধৰ্মীয় ৰীতি-নীতিৰে উৎসৱৰ শুভাৰম্ভ কৰা হয়। পাচেতি উৎসৱৰ মুখ্য কাৰ্যসূচী হ'ল দধিমথন। দধিমথনৰ বাবে সত্ৰৰ খলাত ৰভা দি ভাগৱত গ্ৰন্থ স্থাপন কৰি তাৰ ওচৰতে দধিমথনৰ বাঁহ আৰু কলপতুৱাৰে মথনিশাল নিৰ্মাণ কৰে। দধিমথন ভাওনা আৰম্ভ কৰাৰ আগতে পৰম্পৰাগত ভাৱে সত্ৰৰ বৰপুখুৰীৰ পৰা পানী তোলা হয়। পানী তোলাৰ পিছতে দধিমথন ভাওনা আৰম্ভ হয়। সত্ৰৰ পাচেতি খলাৰ য'ত মথনিশাল স্থাপন কৰা হয় তালৈকে কীৰ্তনঘৰৰ পৰা শিশুলীলাৰ দধিমথনৰ গীত গাই গাই গায়ন-বায়নসহ কৃষ্ণ, যশোদা আৰু গোপীসকলে নয়নাসে যাত্ৰা কৰে। তাৰপিছত মথনিশালৰ তলত পূৰ্বতে বৰপুখুৰীৰ পৰা তুলি অনা পানীৰ ঘটটি স্থাপন কৰে আৰু যশোদা আৰু গোপীসকলে মথনিশালৰ জৰীত ধৰি গীতৰ ছেৱে ছেৱে দধি মথে। দধিমথন ভাওনাত সুত্ৰধাৰ, গায়ন-বায়ন আৰু অন্য ভকতসকলৰ ভূমিকাও উল্লেখযোগ্য। এনেদৰে নিৰ্ধাৰিত সময়ত দধিমথন ভাওনা সামৰা হয়। ঠিক সেইদৰে দ্বিতীয় দিনাও পূৰ্বৰ দৰে দধিমথন কাৰ্য সমাধান কৰা হয়। পাচেতি উপলক্ষে সত্ৰৰ খলাত মেলা বহে। মেলাত বিভিন্ন বস্তু বেচা-কিনা হয় আৰু বিভিন্ন ভক্তৰ সমাগম হয়।

**ফাকুৱা উৎসৱ ঃ**

খটৰা সত্ৰত ফাকুৱা উৎসৱ ধৰ্মীয় পৰিবেশৰ মাজেৰে পালন কৰা হয়। ফাকুৱাৰ দিনা নামঘৰৰ ভিতৰৰ পৰা ভগৱানৰ বাগ্ময় মূৰ্ত্তিটো

ভক্তি সহকাৰে দেউলৰ ভেটিত প্ৰতিষ্ঠা কৰা হয়। ফাকুৱা উৎসৱত দিনৰ ভাগত নাম-কীৰ্তন কৰি সন্ধিয়া মূৰ্ত্তিটো পুনৰ পূৰ্বস্থানত স্থাপন কৰে। মূল উৎসৱৰ পৰা দুদিন বা তিনিদিন ধৰি সত্ৰৰ পাৰ্শ্বৱৰ্তী অঞ্চলত উক্ত মূৰ্ত্তিটো সুসজ্জিত কৰি পৰিভ্ৰমণ কৰায়। ইয়াকে সুঁৱেৰী ফুৰা বোলে। এই ফাকুৱা উৎসৱত ফাকুগুৰিৰে ৰং তামচা কৰাটো এটা নৈমত্তিক ক্ৰিয়া বুলি গণ্য কৰা হয়। সেয়ে সত্ৰৰ দেউৰী প্ৰমুখ্যে ভকতসকলে ফাকুৱাৰ পাত্ৰ লৈ জনসমাগত ফাকুৱা চটিওৱা পৰিলক্ষিত হয়। সুঁৱেৰীৰ অন্তিম দিনা সাধাৰণতে সত্ৰৰ নিকট অঞ্চলত সুঁৱেৰী ফুৰোৱা হয়। এই অনুষ্ঠানটিৰ অন্তিম পৰ্যায়টি মনোমোহা । এই পৰ্যায়তে গড় ভঙা অনুষ্ঠানটি সমাপন কৰা হয়। এনেদৰে ৰাইজে বিভিন্ন ৰং তামচা কৰি হৰিধ্বনি দি উৎসৱৰ সামৰণি মাৰে।

দেউল উৎসৱ ঃ

দৰঙৰ বিভিন্ন ঠাইত অনুষ্ঠিত হোৱাৰ দৰে খটৰা সত্ৰতো বহাগ মাহৰ ১৫ তাৰিখে দেউল উৎসৱ পালন কৰা হয়। দেউল উৎসৱৰ দিনা সত্ৰৰ খলাত থকা দেউলৰ ভিঠাত ধৰ্মীয় আচাৰ নীতিৰে মগৰ স্থাপন কৰা হয়। সত্ৰৰ দেউৰীসকলে পৰম্পৰাগত ভাৱে চলি অহা নিয়ম অনুসাৰে নাম-কীৰ্তন কৰি দেউলৰ ভিঠাৰ সামান্য দক্ষিণে আচুতীয়াকৈ থকা ঠাইত ভগৱানৰ বাগ্ময় মূৰ্ত্তি কীৰ্তনঘৰৰ ভিতৰৰ পৰা ভক্তি সহকাৰে আনি স্থাপন কৰে। দেউলৰ দিনা দেউল উৎসৱৰ লগত ৰজিতা খোৱাকৈ খুলীয়া ভাওনাৰ আয়োজন কৰা হয়। ইয়াত থিয়নামো পৰিবেশন কৰা হয়। এই দেউল উৎসৱে সত্ৰৰ চৰ্চিত কৃষ্টিসমূহ ৰক্ষা কৰাত অৰিহণা যোগাইছে।

বৰসবাহ ঃ

সত্ৰৰ পালনীয় তিথিসমূহৰ ভিতৰত জেঠ মাহত পালনীয় বৰসবাহো অন্যতম। বৰসবাহৰ অধিবাসৰ দিনা নিশা বিয়াহৰ ওজাপালি প্ৰদৰ্শন কৰা হয়। ওজাপালি আৰম্ভ হোৱাৰ আগতে থিয়নাম গোৱা হয়। সেইদৰে মূল সবাহৰ দিনাও থিয়নাম আৰু ওজাপালি প্ৰদৰ্শন কৰা দেখা যায়। এই সবাহত সমূহ ৰাইজৰ বাহিৰেও বিভিন্ন ভক্তৰ সত্ৰলৈ সমাগম হয়।

বৰগোপিনী সবাহ ঃ

বহাগ মাহৰ পূৰ্ণিমা তিথিত দূৰ-দূৰণিৰ পৰা অহা আৰু স্থানীয় আইসকলৰ সমাবেশত চিৰাচৰিত প্ৰথাৰে এই অনুষ্ঠানভাগি সমাপন কৰা হয়। এই সবাহত ঘোষা-কীৰ্তনৰ উপৰিও দিহনামৰ পদো গোৱা দেখা যায়।

বিহু উৎসৱ ঃ

পৰম্পৰাগত ভাৱে লোক জীৱনত প্ৰচলিত বিহু উৎসৱ আহোম ৰাজ আমোলত শ্ৰীমন্ত শংকৰদেৱৰ বৈষ্ণৱ আন্দোলনৰ ফলত সত্ৰীয়া জীৱনলৈও সোমাই আহিল। অন্যান্য সত্ৰৰ দৰে খটৰা সত্ৰতো তিনিওটা বিহুকে সত্ৰীয়া সাত্বিকতা আৰু পৰম্পৰাগত আচাৰ-অনুষ্ঠানৰ আধাৰত পালন কৰা হয়। বহাগ বিহুত সত্ৰৰ দেউৰীসকলে কীৰ্তনঘৰৰ গুৰু আসনৰ লগতে মণিকূটত উপবিষ্ট মূৰ্ত্তিত নতুন বিহুৱান দিয়ে। বহাগ মাহৰ ভিতৰতে সত্ৰৰ পৰিচালনা সমিতিৰ সহযোগত প্ৰতিযোগিতামূলক বিহু অনুষ্ঠিত কৰা হয়। কাতি বিহুৰ দিনা সন্ধিয়া সত্ৰত 'বৰগছা' জলোৱা হয়। সেইদিনা সত্ৰত ঘোষা-কীৰ্তন আনদিনাৰ তুলনাত অধিক গোৱা হয়। প্ৰসংগৰ পিছত থিয়নাম গোৱা হয়। সেইদিনাৰ পৰাই ভাগৱত পাঠ আৰম্ভ হয়। ভাগৱত পাঠ চক্ৰলৈ বিভিন্ন ভক্তৰ সমাগম হয়। মাঘ বিহুৰ দিনা সত্ৰ এলেকাৰ প্ৰতিঘৰ মানুহে নতুন বছৰটিৰ বাবে বাৰ্ষিক কৰ (চাঁদা) আদায় দিয়াৰ নিয়ম। এনেদৰে তিনিওটা বিহুকে সত্ৰীয়া নিয়মেৰে খটৰা সত্ৰত পালন কৰা হয়।

শ্ৰীশ্ৰীগোবিন্দ আতাৰ তিথি ঃ

খটৰা সত্ৰৰ প্ৰতিষ্ঠাপক শ্ৰীশ্ৰীগোবিন্দ আতাৰ তিৰোভাৱ তিথি শাওন মাহৰ শুক্লা চতুৰ্দশী তিথিত পালন কৰা হয়। সেইদিনা সত্ৰৰ বিভিন্ন স্থানৰ ভক্তই সত্ৰত পদাৰ্পণ কৰি দেউৰীসকলৰ সৈতে নাম প্ৰসংগ কৰে। প্ৰসংগৰ পিচত 'গোবিন্দ চৰিত' পাঠ কৰা হয়। এই তিথিত থিয়নাম পৰিবেশন কৰা হয় আৰু সত্ৰৰ গায়ন-বায়নে খোল প্ৰসংগ কৰে।

জন্মাষ্টমী ঃ

ভাদ মাহৰ কৃষ্ণা অষ্টমী তিথি খটৰা সত্ৰতো সুকীয়া ৰীতি-নীতিৰে কৃষ্ণ অষ্টমী হিচাপে পালন কৰা হয়। এই উৎসৱ উপলক্ষে জন্মাষ্টমীৰ নিশা সত্ৰত নাম-কীৰ্তন কৰাৰ উপৰিও বৰ নাগাৰা নাম গোৱা হয় আৰু অনুষ্ঠানটিৰ লগত ৰজিতা খুৱাই ভাওনাৰ আয়োজনো কৰা হয়।

শ্ৰীমন্ত শংকৰদেৱৰ তিথি ঃ

অন্যান্য উৎসৱ তিথিৰ দৰে মহাপুৰুষজনাৰ তিথিও ভাদ মাহৰ শুক্লা দ্বিতীয়া তিথিত সত্ৰত পালন কৰা হয়। এই তিথিত সমৱেত ৰাইজে আনুষ্ঠানিক নাম প্ৰসংগত সহযোগিতা আগবঢ়ায়। প্ৰসংগৰ পিছত গুৰু চৰিত পাঠ কৰা হয়।

মহাপুৰুষ মাধৱদেৱৰ তিথি ঃ

ভাদ মাহৰ কৃষ্ণা পঞ্চমী তিথিত মাধৱদেৱৰ তিৰোভাৱ তিথি পালন কৰা হয়। সত্ৰৰ ভকত বৈষ্ণৱ আৰু আঞ্চলিক ৰাইজে উলহ-মালহেৰে ধৰ্মীয় পৰিবেশৰ মাজেৰে এই তিথি পালন কৰা দেখা যায়। ৰাতিৰ ভাগত সত্ৰীয়া সংস্কৃতিৰ আয়োজন কৰা হয়।






বোকা ভাওনা ঃ

বোকা ভাওনা সত্ৰৰ পালনীয় উৎসৱৰ ভিতৰত আমোদজনক। জন্মাষ্টমীৰ পিছদিনা এই অনুষ্ঠান অনুষ্ঠিত হয় । খটৰা সত্ৰত বোকা ভাওনাৰ দিনা পৰম্পৰাগত ৰীতিৰ আধাৰত সত্ৰৰ কীৰ্তনঘৰৰ মজিয়াত গাখীৰ, পানী, মৌ, ঘিউ, কেঁচা হালধিৰ ৰস আদি মাটিৰ লগত সংমিশ্ৰন কৰি ভকতসকলে ঘোষা-কীৰ্তন গাই নাচি বাগি বোকাৰ সৃষ্টি কৰে। সেই বোকাত লুতুৰি-পুতুৰি হৈ ভাও প্ৰদৰ্শন কৰা বাবে ইয়াক বোকা ভাওনা বোলা হয়। বোকা ভাওনাৰ অন্তত ভকতসকলে নাম কীৰ্তন কৰি সত্ৰৰ মণিকূট কীৰ্তনঘৰৰ চাৰিওফালে প্ৰদক্ষিণ কৰে। পিছত সত্ৰৰ বৰপুখুৰীত গা ধোৱে। সেইদিনা সত্ৰৰ ভকতসকলৰ গাত লাগি ৰোৱা বোকা মাটি বৰপুখুৰীত পৰি তাৰ পানী পৱিত্ৰ হয় বুলি লোকবিশ্বাস প্ৰচলিত আছে।

খটৰা সত্ৰত পালন কৰি অহা এই উৎসৱ-পাৰ্বণ সমূহৰ মাজত সত্ৰৰ সাংস্কৃতিক জীৱন ধাৰাৰ উপৰিও সত্ৰৰ লগত বিজড়িত জনসাধাৰণৰ সামাজিক, সাংস্কৃতিক, মানসিক জগতখনৰ কথাও জানি পাৰি। মুঠতে খটৰা সত্ৰ সঁচা অৰ্থতে অসমৰ ধৰ্মীয়-সাংস্কৃতিক জগতৰ এটি স্বৰ্ণখোদিত ঐতিহাসিক অনুষ্ঠান। ❑ ❑

সহায়ক গ্ৰন্থ ঃ খটৰা সত্ৰৰ চাৰি শ আঠত্ৰিছ বছৰীয়া জয়ন্তীৰ স্মৃতিগ্ৰন্থ

খটৰা সত্ৰলৈ পথ নিৰ্দেশনা




**খটৰা সত্ৰৰ যাত্ৰী-দৰ্শনাৰ্থীলৈ পথ নিৰ্দেশনা**

১। খটৰা সত্ৰ দৰং জিলাৰ সদৰ মঙলদৈ নগৰৰপৰা ২০ কিলোমিটাৰ পশ্চিমে পাথৰিঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত খটৰা গাঁৱত অৱস্থিত।

২। দৰং জিলাৰ সদৰ মঙলদৈ নগৰৰপৰা মঙলদৈ-পাথৰিঘাট-খৈৰাবাৰী পথেৰে ২০ কিঃ মিঃ আহিলে পাব।

৩। ৫২ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে আহি ছিপাঝাৰ-বড়িচৌকা পথেৰে মঙলদৈ-পাথৰিঘাট-খৈৰাবাৰী পথত উঠিব। এই পথেৰে দিপীলাহৈ আধা কিঃ মিঃ উত্তৰে আহি খটৰা সত্ৰ পাব।

৪। টংলা-দলংঘাট-পাথৰিঘাট পথেৰে আহিলে মঙলদৈ-পাথৰিঘাট-খৈৰাবাৰী পথত উঠিব। এতিয়া পাথৰিঘাটৰপৰা দিপীলাহৈ আধা কিঃ মিঃ উত্তৰে গ'লে খটৰা সত্ৰ পাব।

৫। গুৱাহাটী-মুক্তাপুৰ-দিপীলা পথেৰে আহিলে দিপীলা চৌকাত উঠিব। দিপীলাৰপৰা আধা কিঃ মিঃ উত্তৰে আহিলে খটৰা সত্ৰ পাব।

৬। গুৱাহাটী-দুমুনীচকী-দিপীলা পথেৰে আহিলে দিপীলাচৌকা পাব। দিপীলাৰপৰা আধা কিঃ মিঃ উত্তৰে আহি খটৰা সত্ৰ পাব।

# কবিতা



## মাটি আৰু বীজ

*ড° দেৱব্ৰত বৰদলৈ*
*মুৰব্বী অধ্যাপক, ইংৰাজী বিভাগ।*

সোণৰ কাৰেং আৰু সম্ৰাটৰ কিৰীটি
মোৰ বাবে এডৰা অনুৰ্বৰ মাটি
সাধনাৰ বীজ তাত মই কোনোদিনেই
ৰোপণ নকৰোঁ।

ওস্তাদ সুৰশিল্পীৰ মোহময়ী সুৰেও
মোক আকৰ্ষণ নকৰে
যদিহে নাথাকে তাত সংগ্ৰামী জীৱনৰ হৃদয়ৰ স্পদন,
ব্যক্তিপূজাৰ মন্ত্ৰেৰে সমৃদ্ধ সাহিত্য সংস্কৃতি
মোৰ বাবে ফুটুকাৰ ফেন,
তেনেই নিস্ফল।
বিকৃত দেহী আৰু অকালবৃদ্ধৰ চাৱনিয়ে
মোৰ সত্তাক জগাই তোলে সপোনবিলাসী নিদ্ৰাৰপৰা
পাৰিছোনে বাৰু তেওঁলোকৰ গভীৰ নিশ্বাসৰ মৰ্ম বুজিবলৈ?

নিষ্প্ৰভ যৌৱনা বনুৱা তিৰোতাই সাজে
সভ্যতাৰ ৰঙীন আলি;
ভৰিত আল্‌তা লগাই এই বাটে খোজকঢ়াৰ হাবিয়াস
তেওঁলোকৰ চাগে নাই।

মই এক সুপ্ত আগ্নেয়গিৰি
দেহোপজীবিনীৰ গোপন ক্ৰন্দনত
মই যেন উদগীৰিত হ'ব পৰা নাই,
হয়তো দেখা নাই সিহঁতৰ সস্তীয়া প্ৰসাধনত
সাধু সন্যাসীৰ কামনাৰ লেলাৱতি।
হয়তো শুনা নাই
ভোগালীৰ দিনাখন লঘোণীয়া পোনাটিৰ ক্ষুধাৰ চিৎকাৰ
মাতৃৰ ভগা হৃদয়ত জ্বলা জুইকুৰাও যেন দেখা নাই
মই নিৰ্বাক, নিষ্পন্দ।

মোৰ সাধনাৰ বীজ অঙ্কুৰিত হয়
নাঙলৰ সিৰলুত, ক্ষুধাৰ জুইত, হাতুৰিৰ কোবত, গভীৰ হুমুনিয়াহত
সোণৰ কাৰেং আৰু সম্ৰাটৰ কিৰীটি
মোৰ বাবে এটুকুৰা অনুৰ্বৰ মাটি
তালৈ ঢাপলি মই কোনোদিনেই মেলা নাই। ❑ ❑





# কবিতা



## আত্ম মগন

*জেউতী দেৱী*
*দ্বিতীয় বাৰ্ষিক (অসমীয়া বিভাগ)*

নিস্তব্ধ আকাশৰ বুকুত
এটি উৰণীয়া সপোন
সূতা চিগা চিলাৰ দৰে
উৰি ফুৰে ০০০
ঘূৰি ফুৰে ০০০
শান্তিৰ কপৌটি বিচাৰি
কু-কুৱাই কু-কুৱাই
দুখৰ অনুভূতি এটা পাক্ ঘূৰণী খায়
অন্তৰৰ অন্তঃস্থলত
জীৱন নদীৰ সোঁত উজায়
যৌৱন, কৈশোৰ, শৈশৱ, অশৈশৱৰ
দিনবোৰলৈ
ধুঁৱলি কুঁৱলি ক্ষণিকৰ বুকুত হেৰায়
স্মৃতিৰ ঢৌবোৰ॥ ❑ ❑

## কবি হোৱা হ'লে

*অভিজিৎ হাজৰিকা*
*প্ৰবক্তা, অৰ্থনীতি বিভাগ*

কবি হোৱা হ'লে
কবিতা এটাকে লিখিলোহেঁতেন
তোমাৰ বাবে ০০০
ভাৱনাৰ ফল-ফুলেৰে
ভৰুণ কৰিলোহেঁতেন
তোমাৰ মনৰ সেউজ বৃক্ষ
শ্যামলী আবেগ ঢালি
যাচিলোহেঁতেন ভালপোৱা
নাইবা
শব্দৰ মায়াজালত বন্দী কৰিলোহেঁতেন
তোমাৰ অনিন্দ্য সৌন্দৰ্য
নাজানো আত্মীয়তাৰ কি উত্তাপে
গলাব পাৰে হৃদয়
বিবেকক কাহানিও সোধা নাই
সান্নিধ্যৰ কি মাদকতাই তীব্ৰ কৰে
কাৰোবাৰ হৃদয়ৰ আবেগ
আৰু হৃদয়ক কাহানিও
সুধি চোৱা নাই
কিমান নিবিড় সান্নিধ্যই
গঢ় দিয়ে প্ৰেম।
প্ৰেমিকবোৰ বোধহয় কবি হয়
নতুবা
কবিৰ কবিতাৰ প্ৰেমত পৰে অনুৰাগীবোৰ !
কবিতাক ভালপাওঁ
তাতোকৈ ভালপাওঁ তোমাক
কবি হোৱা হ'লে, সঁচাকৈয়ে
প্ৰেমিক হলোহেঁতেন তোমাৰ। ❑ ❑

# কবিতা

## আঘোণ

*আচ্‌ফি আৰ্জুনা বেগম*
*স্নাতক দ্বিতীয় বৰ্ষ।*

শুভ্ৰ কুঁৱলীৰে
ওৰণিখন লৈ
চেঁচা চেঁচা বা ছাটি বলাই
প্ৰতি হেমন্ততেই
তুমি অহা ধৰালৈ।

তোমাৰ পৰশত
সোণালী হৈ পৰে
কৃষকৰ সেউজীয়া সপোন।

সোণালী লখিমীয়ে
ৰতন, ৰহিমহঁতৰ কান্ধত
উঠি বাট বুলে ভঁৰাললৈ।

তুমিচোন শাত কৰিব পাৰা
বৰষাৰ উন্মনা, উত্ৰাৱল
নৈবোৰক।
গাঁৱৰ পংকময় বাট-পথবোৰো
সুচল হয় তোমাৰেই
আগমণত।

সেয়ে, বৰ্ষাৰ অন্তত
অপেক্ষা কৰি থাকো তোমালৈ
তোমাৰ বুকুত
সপোনক সোণালী কৰিবলৈ
হেঁপাহেৰে ০০০। ❑ ❑



## প্ৰকৃতি কুঁৱৰী

*ডাবু নাৰায়ণ কোঁৱৰ*
*স্নাতক দ্বিতীয় বৰ্ষ।*

দিচাং নৈৰ সোণোৱালী পানীত
আজি যৌৱনৰ প্লাৱন নামিছে,
কুল কুল শব্দ ভেদি
আকাশ নিৰ্মল কৰি
পানীত এখন শুকুলা নাও চৰিছে।
ৰূপহী কুঁৱৰীক বিচাৰি নাওখনে
হালি জালি দেখোন
সুকৃষৰ ফালে ঢাপলি মেলিছে
শুনিছো, তেজীমলাই হেনো পদুম হৈ পানীত
সপ্তম সুৰত গীত জুৰিছে।
ৰূপৰ কোঁৱৰ উজাই আহে
সুৰৰ অপূৰ্ব মূৰ্চ্ছনা শুনি
লাজত তেজীমলাই পদুম পাতেৰে
পিন্ধিলে এখন ওৰণি।
সোণ পখিলীৰ ৰূপালীম হাঁহি
ভেলেঙীয়েহে যেন চিনি পায়,
পোৱাৰ আনন্দত বণিজ কোঁৱৰে
পাৰলৈ চাই হাঁহে মিচিকিয়াই।
মানৰ কুঁৱৰী নহয় তেজীমলা
নহয় তেওঁ জল কুঁৱৰী,
পানীত ৰূপৰ জেউতী চৰোৱা
তেজীমলা নহয় ফুলৰ কুঁৱৰী
মানৰ জীৱনত লাঞ্ছিতা তেজীমলাই
এদিন প্ৰকৃতিৰ বুকুকে পাই,
আপোন পাহৰি প্ৰকৃতি ৰাণীয়ে
তাইকেই প্ৰকৃতি কুঁৱৰী সজায়। ❑ ❑





# কবিতা



## তই মোৰ মন পেৰাৰ গুটিমালী

*হৰিপ্ৰিয়া দেৱী*
*প্ৰাক্তন ছাত্ৰী*

তোক এবাৰেই
মাথো লগ পাইছিলো
তোৰ আঁচলত
প্ৰতিটো সম্ভাৱনাই
থোৰ মেলিছিল
তোক চুই চোৱাৰ এক অদম্য হেঁপাহ০০০
''সপোনৰ কাৰেংঘৰ''০০০!

তোক চুই চাব খোজো
চুই চালে হব খোজে বতাহ
চুই চাব খোজো অনুভৱবোৰ০০০
প্ৰাপ্তিৰ সেউজীয়া আবেলিটো০০০।

এৰি অহা দুনিৰ্বাৰ চৈখনক০০০
বাধা দিও যে ৰখাব নোৱাৰি
আকৌ এবাৰ উভতি যাব খোজে মন
পাহৰণিৰ কুঁৱলি ভেদি০০০। ❑ ❑



## কবিতা

*পাপৰি চহৰীয়া*
*স্নাতক প্ৰথম বৰ্ষ*

প্ৰথম তোমাৰ কিন্‌কিন্ বৰষুণজাক
মোৰ বক্ষত হেঁপাহৰ শিপা হৈ গজে,
হাত বাউল দি বিছিন্ন কৰে
মোক মোৰ পৰা
সন্তৰ্পণে আগবাঢ়ো তোমাৰ
'কাষলে' আৰু,
লাহে লাহে মোৰ ভিতৰত
জী উঠে চেনেহৰ ভাৱনাবোৰ
এয়া চোৱা
মোৰ হৃদয়ৰ পৰা তোমাৰ
হৃদয়লৈ মাত্ৰ এআঙুলি বাট,
মন গ'লেই খোজ কাঢ়ো
এখন হৃদয়ৰ পৰা আনখন হৃদয়লৈ
অনুভৱৰ প্ৰতিটো ঋতুত এতিয়া
আকাংক্ষাৰ মলমলীয়া কৰ্পূৰ
একাজলি প্ৰেম কেৱল
তোমাৰ বাবে ০০০। ❑ ❑

# Students, teachers and guardians— A Triangle Ancient and modern

**Dr. D. C. Das**
*Dept. of Political Science*

Students, teachers and guardians are the three inevitable as well as reciprocate angles of education which is expected to enhance one's intellectual growth. So, these three factors or angles have to be equal in length to make a triangle; otherwise education deserves no value and dignity. The role of all three factors should be very important. Usually every guardian or parent gets his children admitted into school for adequate learning and continues to keep good relation with the teachers. Similarly, the student community also tries to make themselves eligible for the society through earning proper education. Like the other two angles, the teachers also realise to make the students sufficiently abundant of knowledge. These are, in reality, the features of this Students + Teachers + Guardians (STG) triangles system of education.

Parents or guardians play an important role in the all round development of children in addition to their academic advancement. But the role played by parents in ancient system is much lesser than that of modern age. In other words, in those days, the students used to attain education not in educational institute like the present system but living together with the teachers in their abodes i.e. "Gurugriha". So, the duty and responsibility of the parents or guardians were limited and put to an end with the transfer of their children to the teacher's abode. As the students used to take in major part, the parents or guardians had nothing to do so far education is concerned. For example, even Lord Krishna alongwith His brother, Baloram had to live in the "Griha" of their Guru (teacher), Sandipani and thus earned eduction. Nanda and Joshoda played no role in this regard. After completion of their education, as duty bound students, Krishna and Baloram gave their teacher "Gurudakshina" by fulfilling his demand. Sandipani's demand was to get his dead son alive and they did so. As in ancient age, the parents or guardians felt no need to pay "Gurudakshina" which is in modern times, known as "fees", there was no close contact between the teachers and parents or guardians.

In the middle age also, the system i.e. "Guru grihat Siksha grahan' remained and Sankardev, the exponent of "Namdharma" might carry the example. The story read like this : Sankardev lost his parents in his childhood and he was fostered by his grandmother, Khersuti who was upset when her grandson did not express any interest in study. But when he came to guess her unhappiness, Sankardev, one day told her, "Aison, parhiba paro noparo, parhasalite thoani" (My grandmother, bring me to school whether I can read or not). Then she got him to Mahendra Kandali's school and requested him to teach Sankardev in his "Griha". Upto this, the duties and responsibilities of his grand mother ended and he began studies at Mahendra Kandali's home.

The ancient system of education lessened the amount of duties and responsibilities of the parents or guardians and the contact between them was also to a little bit. It no doubt made the students understand the significance of the sanctity of the term "Guru" (teacher) and respect to him. During the era of the Ramayana, the Mahabharata, the Purana, Upanishada etc. the system i.e. "Gurugrihat Siksha Grahan" had been prevailing. Especially in the epic poem, Mahabharata, there were a number of such beautiful instances which resulted in the expression of respect towards the teachers and "Gurubhakti". In the light of this reference, the mysterious activities of Aruni and Upamanya can be cited here. It is bewildered to think how Aruni was lying on the ground to stop the flowing water in the paddy field as asked by the Guru, Dhomya. This was really a great sacrifice for a disciple in the name of "Gurudakshina" or "Guru Bhakti". Another example of Guru Bhakti





shown by Upamanya is also unique and mystical. It is really a matter of astonishment to imagine the fact what happened to Upamanya who never touched any food unless and until his Guru Dhomya allowed him to do. To speak the truth, the story is very much tragic and had reached its zenith point. His respect and obedience towards Guru Dhomya was really admirable. He refused also to accept medicine from the renowned physicians, Aswini and Kumar who wanted to cure him of his blindness. Even the guru, Dhomya was also surprised to know how he got blind and fell down into a deep well. All these tremendous activities certainly claim to be obedience as well as submission of the student. In those days, the students could be able to possess the blessings and graces from their teachers in exchange of their dedication and proved "Gurubhakti". Although there was a wide gap between the students and the guardians unlike that of modern age, there were some positive aspects in the "Gurugriha" system. They are :- (1) Tie of love and (2) mutual reciprocation resulting in cooperation between them. Actually attachment of these factors helps the student to a maximum amount in so far as knowledge is concerned. In this way, the close relationship between the teachers and the students was established which had resulted in the moulding of perfect life in all aspects.

In the course of time, the system of such "Guru Grihat Siksha Grahan" has been wiped out and new civilized society has accepted new system of eduction through educational institutes like school, college, university. Comparably with the ancient system, the role of the guardians has also been increasing. The people are becoming much more conscious of their children thinking or planning how they are educationally developed and like this. The parents or guardians are found to be eager to get their son and daughters admitted into the educational institute. With the passage of time, the term "Guru Dakshina" has also been changed into "fees", the amount of which usually varies. Accordingly, the teaching community has started imparting education of the prescribed course and syllabus by the educational authorities in various levels. But the present system of education can hardly achieve in the attainment of perfect life of the students. The "Student-teacher-guardian" (STG) system of education is going to be on decline and the gap in this triangle system has been widening. In other words the picture of reciprocate relationship among these three factors is going to be obscured.

The goal of education is however not changeable; it is not dynamic. It has its own origin. Education enhances enormous encouragement. To speak the truth, man is naturally wicked and unwise etc. However, some qualities which differentiate a man from other beings are attributed to him and it is only education which nothing but reforms. Education minus morality is of course valueless. As a plant needs care to grow a tree, so a child needs good care to become a man. That is why, there must be a circle of three angles and all of them have to play equal amount of role. However, the parents should play a major part and that too, of the parents, it only mother who has to play the heaviest role in the growth and development of the children who naturally develop stage by stage from children to the citizens. So, it is said, one teacher is more than ten Brahmins; a father is more than ten teachers and a mother is more than ten fathers. East or west mother is the best and she is the best teacher, master and guide. In reality, she is the centre of all not only in the home but every where in the society. Naturally, every child is inclined to mother more than father so, she must take this opportunity to keep the children in the clutch of her hands. The mother with the help of father should establish the continuity of the relationship between the teacher and students.

Finally, as today's education has become a value laden education, the teachers like a backbone in the society should accept the profession of teaching very honestly with faithfulness and devotion. What the teacher says is considered correct. Regarding the relationship between the students and the teachers, it is said, "When a teacher runs, the student walks; when the teacher walks, the student sits; when the teacher sits, the student lies and when the teacher lies the student dies". ❑❑

# Globalisation : Its impact on Indian Economy

Ms. Gultaz Begum, M.A., M.Phil
Dept. of Economics

Globalisation means the expansion of economic activities across political boundaries of nation states. Perhaps it refers to a process of deepening economic integration, increasing economic openness and growing economic inter dependence among the countries in the world economy. The world economy becomes a single market or economy. There are no restrictions like quotas, licences, high tariffs, administrative barriers etc. on the movement of products and factors. Products include all the tradeable goods/ commodities and services and the factors which can move are capital, technology, finance, labour etc. Ideally for a global economy there should be one currency as in a country. Then the best is that the currencies should be freely exchangeable at the rate at by the free market.

**Globalisation at the world level :**

At the worldwide level, globalisation refers to the growing economic inter dependence among countries as reflected in increasing cross-border flows of goods, services, capital and knowledge. Globalisation at the world level consists of two distinct phenomena– the globalisation of production and globalisation of finance. Globalisation of production has taken place at a rapid speed during 1980s and 1990s. The driving force behind this has been the multi-national corporation (MNCs). As emphasized by Ravaljit Singh, much more faster and much more influential than globalisation of trade in recent years has been the globalisation of finance.

**Globalisation at the level of specific country :**

At the level of a specific county, globalisation refers to the extent of inter linkages between a country's economy and the rest of the world. Some key indicators to measure the global integration of any country's economy are exports and imports as a ratio of GDP, inward and outward flows of foreign direct investment and portfolio investment and outward flows of royalty payments associated with technology transfer.

**Globalisation at the level of a specific industry :**

At the level of specific industry, globalisation refers to the degree to which a company's competitive position within that industry in one country is inter dependent with that in another country. Globalised industries tend to be dominated in every market by the same set of global companies, which coordinate their strategies across countries. For example the athletic footwear industry is dominated by Nike, Adidas and Reabok.

**Globalisation at the level of a specific company :**

At the level of a specific company, globalisation refers to the extent to which a company has expanded its revenue and asset base across countries and engages in cross-border flows of capital, goods and know-how across subsidiaries. Toyota is a good example of a highly globalised company. This is due to the reason that at the end of 1995, one third of Toyota's global output comes from wholly or partially owned affiliates in 25 foreign countries spread over the America, Europe and Asia. Within South-east





Asian regional network, Toyota exported diesel engines from Thailand, transmissions from the Philippines, steering gears from Malaysia and engines from Indonesia.

**Globalisation in India :**

Globalisation in India is generally taken to mean "integrating" the economy of the country with the world economy. Since early 1990's the Indian economy is being integrated with the economies of the world. The extent of participation of the Indian economy in the global economy can be well represented by referring to the various links that connect it with other economies.

One such link, i.e., financial flows, tot indicates a limited globalisation of the Indian economy. The market related flows like private capital flows and foreign direct investment are too low when considered in the context of the country's large needs for development, as (also) China. Private capital flows, for one just about 2 percent of all that has gone to the developing countries in 1999. China's share is much large at about 16 percent.

The limited globalisation of the Indian economy is indicated by more broad based index compiled by the economist (London). This index ranks countries by variables such as openness to trade and investment, credit worthiness and the importance of tourism and transfers from foreign workers. According to its the globalisation index for India has changed only 2 percent during the period 1993-97. As against this, the change in globalisation is much higher at 7 percent for China, 6 percent for Singapore and 4 percent for South Africa during the same period. It is no surprise then to fend that these countries have become attractive destinations for foreign direct investment.

**Steps towards Globalisation :**

The Govt. of India integrating the economy of the country with the global economy is to make its currency convertible, i.e. allow it to determine its own exchange rate in the international market without official intervention.

In 1990, the World Bank had advocated redesigning of the import policy so that there is only one negative (restricted) list and imports of all items not explicitly on the restricted list are allowed, lowering of import tariffs on all goods, and free entry to capital goods, intermediate goods, raw materials and consumer goods into the Indian economy.

In a bid to attract foreign capital and integrate the Indian economy with the global economy, the Govt. of India has thrown open the doors to foreign investors. Various incentives and facilities have been offered to the foreign investors and non-resident Indians in the new economic policy.

Foreign companies have been allowed to use their trade marks in India and carry on any activity of a trading, commercial or industrial nature and repatriation of profits by foreign companies has been allowed; foreign companies wanting to borrow money or accept deposits are not now required to obtain permission from the Reserve Bank. NRIs and overseas corporate bodies (OCBs) predominantly owned by them have been allowed to invest upto 100 percent equity in high priority industries with repatriability of capital and income; NRI investment upto 100 percent of equity has been allowed i export houses, trading houses, star trading houses, hospitals, sick industries, hotels etc. foreign direct investment under the automatic route has been permitted upto 100 percent for all manufacturing activities in special Economic Zones (SEZs) etc.

**Effects of Globalisation :**

Globalisation has led to the widening of inequalities in India. At present larger income-disparities between the skilled workers and unskilled workers have widened than before. This has been caused by the fact that the new modem industries,

like those related to information technology etc. are skill knowledge-intensive industries. Besides, the globalised multinational companies, with their bases in the rich countries, pay to their employees much more than paid by the domestic companies. Further, only a part of the Indian economy has been linked with the world economy and most of the new jobs and the income have gone to the few who are concerned with these activities.

There are some losses that globalisation imposes in developing countries like India. India suffers from loss because of the brain-drain or immigration of skilled workers. This impairs the capacity of a country to harness advanced agricultural and industrial technologies. No doubt, the migrants send money to their houses, but this money not always be sufficient to make up for the losses.

The process of globalisation in India had led to an "unequal competition"–a competition between giant MNCs and dwarf Indian enterprises. Even the large Indian enterprises are just pygmies compared to the multinational corporation and while some of them have already been gobbled up by the latter, some others are awaiting their turn with bated breath. As once noted by an MP from West Bengal, the globalisation of the Indian economy is like integrating a mouse into a herd of elephants.

In the early euphoria of liberalisation, the private sector welcomed the measure of the Govt., but it soon came to realise that opening up the Indian economy to foreign competition meant more and cheaper imports, more foreign investment, opportunities to the MNCs to raid and takeover their enterprises, and worse, their inability to meet the challenge from MNCs due to their weak economic strength vis-a-vis the MNCs. The first serious omens of discontent appeared when several top industrialists met under the initiative of Rahul Bajaj (the owner of the scooter manufacturing giant Bajaj Auto) in 1993 in Mumbai to voice their concern at the hasty exposure of Indian enterprises to the stormy gales of foreign competition. Even the confederation of Indian Industry (CII) which had all along been supportive of MNC initiatives started feeling uneasy. Its Director General, Tarun Dass, sharply attacked the behaviour of foreign multinationals in India, particularly referring to their "cowboy" approach toward their local partners.

There may be difficulties in controlling fully our economy, because of the rules and regulations of the world institutions like WTO (World Trade Organisation). In certain important spheres like those relating to patents, trademarks etc., as also in respect of the use and conservation of natural resources and labour etc., the country may not be free to legislate to the extent its national interests required. Again, some important decisions in the world institutions like the WTO, can be influenced by the developed countries by organising a majority. Such decisions will have to be accepted by India. ❑❑









## YOUR EYES

***Saya Rani Devi***
*H.S. 1st year*

How sweet is your eyes,
That are beating
In my heart's core.
After seeing,
I am impressed.
Till the day we met
I was like a Rampick
Which was at random.
But now ...
My heart has been ravished
By your eyes.
I will climb
All the quicksets
In my way.
It is for you
And your eyes. ❑❑


## THE MYSTERIOUS WORLD

***Kalyani Devi***
*- TDC 1st year*


Odd sort, the world is!
The folk and his works
Who knows only himself
Nihil else for his horizon.
Beyond a quiescence radiance!
All the power to get every gain
Hold good for him.
Oh God, your creation!
He almost think for materilism
But not for the quiescence radiance
What it is?
It is the veil of nature's fury.
He can beat the Quint,
Not the actual melody.
Oh God, disgusting!
If rarely care for nature,
Never would have to plunge
Into low ebb. ❑❑




# গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত গৱেষণা কৰি পি.এইচ.ডি. (Ph.D.) লাভ কৰা মহাবিদ্যালয়ৰ প্ৰৱক্তামণ্ডলী



ড° ৰামচন্দ্ৰ ডেকা
বিষয় ঃ মাধৱদেৱৰ ৰচনাৱলী ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন
ইং ১৯৯৬ চন



ড° দিবাকৰ চন্দ্ৰ দাস
Topic: Socio-Economic Development of the Scheduled Caste Community of Barpeta District during the period of VI & VII five year Plan. (1998 year)



ড° প্ৰসন্ন কুমাৰ নাথ
বিষয় ঃ ৰামধেনুৰ অসমীয়া কবিতা ঃ পাঁচজন কবিৰ বিশেষ উল্লেখেৰে (হেম বৰুৱা, নৱকান্ত বৰুৱা, মহেন্দ্ৰ বৰা, নলিনীধৰ ভট্টাচাৰ্য, হোমেন বৰগোহাঞি)
ইং ২০০৭ চন



ড° মোহিনী গোস্বামী
Topic : Proverbs in Family Life : A Contextual Study of Assamese Proverbs
2007 year



ড° তন্দ্ৰালী চৌধুৰী
Topic : A Socio-Economic Study of the people of Darrang District, Assam. An Anthropo-geographical Approach ( A case study of Chapai Mouza)
2007 year



ড° দেৱব্ৰত বৰদলৈ
Topic: Bertrand Russell's Moral Philosophy and his Voice for World Peace.
2007 year



← **ছাত্ৰ একতা সভা ঃ ইং ২০০৭-০৮ বৰ্ষ**

বহি (বাওঁফালৰপৰা) ঃ ছায়াৰাণী দেৱী (সম্পাদিকা, তৰ্ক আৰু অধ্যয়ন চক্ৰ), ভায়লিনা ভাৰতী (সম্পাদিকা, আলোচনী বিভাগ), ৰুমী ডেকা (সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা)।

থিয় হৈ (বাঁওফালৰপৰা) ঃ গুণমণি নাথ (সাধাৰণ সম্পাদক), অৰিন্দম শৰ্মা (সম্পাদক, খেল বিভাগ), দীপক ডেকা (সম্পাদক, সমাজসেৱা)। ফটোত দেখা নগ'ল ঃ যাদৱ বৈশ্য (সম্পাদক, সাংস্কৃতিক বিভাগ), মনোজ আলি (উপ-সভাপতি)

## মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ প্ৰতিযোগীসকল


মিতালী বৰুৱা
শ্ৰেষ্ঠা গায়িকা(২০০৬-০৭)


মামণি হাজৰিকা
শ্ৰেষ্ঠা গায়িকা(২০০৭-০৮)


পপী চহৰীয়া
শ্ৰেষ্ঠা খেলুৱৈ
(২০০৬-০৮)



লক্ষ্মণা শৰ্মা
শ্ৰেষ্ঠা অভিনেত্ৰী
(২০০৭-০৮)


ডাবু নাৰায়ণ কোঁৱৰ
শ্ৰেষ্ঠ তাৰ্কিক
(২০০৭-০৮)


মুনমী হাজৰিকা
শ্ৰেষ্ঠা তাৰ্কিক
(২০০৬-০৭)

## ছাত্ৰ একতা সভা (ইং ২০০৬-০৭ বৰ্ষ)


দুলাল ডেকা
সাধাৰণ সম্পাদক


নৃপেন ডেকা
উপ-সভাপতি


অবিন্দম শৰ্মা
খেল সম্পাদক


হেমেন হাজৰিকা, সম্পাদক
তৰ্ক আৰু অধ্যয়ন চক্ৰ


গোপাল ডেকা
সম্পাদক, সাংস্কৃতিক বিভাগ

## মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীবৃন্দৰ একাংশ



বহি (বাঁওফালৰপৰা) ঃ ড° দেবব্ৰত বৰদলৈ, ড° দিবাকৰ চন্দ্ৰ দাস, মিনতি গোস্বামী, মালিনী নায়াৰ, কনক চন্দ্ৰ ডেকা (অধ্যক্ষ), ড° মোহিনী গোস্বামী, ড° তন্দ্ৰালী চৌধুৰী, প্ৰভা দেৱী, জন্টি ৰাম হাজৰিকা।
থিয় হৈ (বাঁওফালৰপৰা) ঃ মুকুল কুমাৰ চহৰীয়া, চুলতানা বেজিয়া, জয়ন্ত কুমাৰ হাজৰিকা, ড° প্ৰসন্ন কুমাৰ নাথ, মহেন্দ্ৰ কটকী, মণ্টু হাজৰিকা।

## মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ



বহি (বাঁওফালৰপৰা) ঃ গৌতম কুমাৰ বৰুৱা, পদ্ম কান্ত হাজৰিকা, কনক চন্দ্ৰ ডেকা (অধ্যক্ষ), গোলাপ নাথ, মুণীন্দ্ৰ কুমাৰ চহৰীয়া, গজেন্দ্ৰ নাথ চহৰীয়া।
থিয় হৈ (বাঁওফালৰপৰা) ঃ মুণীন্দ্ৰ বড়া, শশীন্দ্ৰ দাস, বেৱকান্ত ডেকা, কমিৰাম শইকীয়া, হৰেন বড়া, নবীন বড়া।
ফটোত দেখা নগ'ল ঃ জয়মতী বৰুৱা, টংকেশ্বৰ ডেকা, মুচা জামান।

## সম্পাদনা সমিতি



বহি (বাঁওফালৰপৰা) ঃ মুকুল কুমাৰ চহৰীয়া (সদস্য), দিবাকৰ চন্দ্ৰ দাস (সদস্য), কনক চন্দ্ৰ ডেকা (সভাপতি), মহেন্দ্ৰ কটকী (তত্বাৱধায়ক)। থিয় হৈ (বাঁওফালৰপৰা) ঃ কমলজ্যোতি চহৰীয়া (সদস্য), অৰিন্দম শৰ্মা, গুণমণি নাথ (সদস্য), দুলাল ডেকা (সদস্য), ভায়লিনা ভাৰতী (সম্পাদিকা), জেউতি দেৱী (সদস্য)। ফটোত দেখা নগ'ল ঃ দুলেন্দ্ৰ নাথ (তত্বাৱধায়ক)

## অধ্যক্ষৰ সৈতে এটি সাক্ষাৎকাৰৰ মুহূৰ্ত



বহি (বাঁওফালৰপৰা) ঃ কাকলি চহৰীয়া (স্নাতক তৃতীয় বৰ্ষ), ভায়লিনা ভাৰতী (সম্পাদিকা, আলোচনী বিভাগ), কনক চন্দ্ৰ ডেকা (অধ্যক্ষ)।

## ছাত্ৰী নিবাস মুকলি অনুষ্ঠানত




ছাত্ৰী নিবাস উদ্বোধনী অনুষ্ঠানত অসম চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰীযুত ৰিহন দৈমাৰী দেৱক সম্বৰ্ধনা জনাইছে মহাবিদ্যালয় অধ্যক্ষ শ্ৰীযুত কনক চন্দ্ৰ ডেকাদেৱে।